# শ্ৰদ্ধাঞ্জলি

## প্ৰয়াত মদন চন্দ্ৰ কাকতি ছাৰ ঃ এক অদ্যম ব্যক্তিত্ব

নবদম্পতিৰ গৃহ প্ৰবেশ। অধীৰ অপেক্ষা, ততোধিক উৎকণ্ঠা। উখল-মাখল ঘৰখনলৈ সাময়িক নিৰ্জনতা নামি আহিছেহে মাত্ৰ। হঠাতে গাঁৱৰ এদল পুৰুষ আহি তেখেতক চিঞৰি মাতিলে। গাঁৱত ডাঙৰ মেল বহিছে, যাব লাগে। অনিচ্ছা স্বত্বেও গএগাই তেখেতক আমণি দিবলগীয়া হ'ল। ডাঙৰ মেলুৱৈ তেখেতৰ অনুপস্থিতি অবিহনে মেল সমাপ্তি হোৱাৰ কোনো লক্ষণ নাই। পুনৰ মেল বহিল, দীঘলীয়া মেল। ৰাতি পোহৰ হ'ল। তেতিয়াহে মেলৰ পৰি সমাপ্তি ঘটিল। ঘৰলৈ ঘুৰি আহি দেখে হাহাকাৰ চোতালত হৈ চৈ। কি হ'ল? ন-কইনাই গোটেই ৰাতি উজাগৰে কটাইছে। ঘৰৰ চিলিঙত সমগ্ৰ ৰাতি ইফালৰ পৰা সিফাললৈ এন্দুৰে দৌৰা দৌৰি কৰি আছে। গুৱাহাটীৰ ছোৱালী। দক্ষিণ কামৰূপৰ ভিতৰুৱা গাঁও আমতলীত এনে পৰিস্থিতিত টোপনি আহিব ক'ৰ পৰা? সদানন্দময় পুৰুষ প্ৰয়াত মদন চন্দ্ৰ কাকতি ছাৰৰ মুখৰ পৰা প্ৰায়ে শুনিবলৈ পাইছিলোঁ নিজকলৈ কোৱা এনে ধৰণৰ হাস্য-মধুৰ কথা। কিন্তু লক্ষ্যণীয় কথা যে, ছাৰৰ সেই গৰাকী বাইদেৱে দুই পুত্ৰ এজনী কন্যা সন্তানসহ ছাৰৰ সৈতে সুদীৰ্ঘ একচল্লিশ বছৰ সাংসৰিক জীৱন নিয়াৰিকৈ চলাই নিছিল। আৰ্ভিংষ্টোনে লিখিছিল যে, দুটা সমধৰ্মী চৰিত্ৰৰ মাজত নিবিড় বন্ধুত্ব গঢ়লৈ নুঠে। সমাজত বিজ্ঞানী বিশেষৰ মতে দুই বিপৰীত মুখী পতি-পত্নীৰ যুগ্ম জীৱন অধিক সুখী, অধিক স্থায়ী হয়। ছাৰৰ মুখ মণ্ডলত যিদৰে হাঁহি আছিল সহজলভ্য, আনহাতে বাইদেউ তাৰ বিপৰীতে গহীন-গম্ভীৰ স্বভাৱৰ। বাইদেৱে সততে নিজক ঘৰৰ চাৰি বেৰৰ মাজত আৱদ্ধ ৰাখে। হয়তো ছাৰৰ সফল যুগ্ম জীৱনৰ চাবি-কাঠিৰ ই আছিল অন্যতম উৎস।



ছয়গাঁও হাইস্কুলত স্কুলীয়া শিক্ষা শেষ কৰি ছাৰ কটন কলেজত ভৰ্ত্তি হৈছিল। কটন কলেজত থাকোতে ছাৰ 'মিঃ কটন' আৰু গুৱাহাটী বিশ্ববিদ্যালয়ত তেখেত 'মিঃ গুৱাহাটী ইউনিভাৰছিটি সন্মানেৰে বিভূষিত হৈছিল। বিশ্ববিদ্যালয়ৰ ছাত্ৰাৱস্থাতে ছাৰে অসম ইঞ্জিনিয়াৰিং কলেজত এগৰাকী শৰীৰ চৰ্চা নিৰ্দেশক হিচাপে নিযুক্তি পাইছিল। ১৯৬৬ চনৰ পহিলা জুলাইত তেখেতে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত অসমীয়া বিভাগৰ প্ৰৱক্তা ৰূপে যোগদান কৰে। আৰু অতি কৃতিত্বৰে প্ৰায় ৩২ বছৰ কাল মহাবিদ্যালয়ত অধ্যাপনা কৰি ১৯৯৮ চনৰ ৩১ জুলাইত অৱসৰ গ্ৰহণ কৰে।

মহাবিদ্যালয়ৰ শিক্ষক কমন ৰুমটোত বিমল হাঁহিৰ উৎস আছিল ধৰ্মকান্ত বৰুৱা ছাৰ আৰু কাকতি ছাৰ। বৰুৱা ছাৰ আছিল কাকতি ছাৰৰ সততে আক্ৰমণৰ লক্ষ্য। দুয়ো গৰাকী ছাৰৰ অট্টহাস্যত প্ৰায়ে মুখৰিত হৈ থাকিছিল শিক্ষক কমন ৰুম। অতৰ্কিতে বৰুৱা ছাৰৰ শৰীৰৰ স্পৰ্শকাতৰ অংশত ছাৰে খুচি দিয়ে। ছাৰ উচপ খাই উঠে। কাকতি ছাৰে হেনো বিয়াৰ আগতে কইনাক আঙঠি পিন্ধোৱাতে কঁপিছিল। এয়া বৰুৱা ছাৰৰ ভাষ্য। তেখেতসকলে বোলে আলেঙে আলেঙে সেই দৃশ্য চাই আছিল। কাজিয়াৰ সুত্ৰপাত হয় এনেদৰেই। দুয়োজন ছাৰৰ মাজত কথা কটা-কটিৰ পৰা আৰম্ভ হয় হতাহতি। তেখেত

সকলৰ প্ৰাক্তন ছাত্ৰ হিচাপে সতীৰ্থৰ ৰূপত এই যুজ আমাৰ বাবে আছিল অতি উপভোগ্য। দুয়ো গৰাকী ছাৰৰ অৱসৰ প্ৰাপ্তিৰ লগে লগে হাঁস্য-মধুৰ এটা যুগৰ যেন অন্ত পৰিল। বেজবৰুৱাই কৈছিল অসমীয়া মানুহে হেনো হাঁহিব নেজানে। এই সকল ছাৰৰ অবৰ্তমানত বেজবৰুৱাৰ কথাৰ সত্যতাকো যেন প্ৰতিপন্ন কৰিছে বৰ্তমানৰ শিক্ষক কমন ৰূমৰ গোমোঠা পৰিবেশে। মুক্ত হাঁহিয়ে মানুহক অনেক ৰোগ-ব্যাধিৰ পৰা আঁতৰত ৰাখি সুস্বাস্থ্য ৰক্ষাত সহায় কৰে এয়া বৈজ্ঞানিক ভাবে সত্য। অন্ততঃ বৰুৱা ছাৰ আৰু কাকতি ছাৰৰ দৰে প্ৰাণখুলি হাঁহিব পৰা ব্যক্তি সম্প্ৰতি মহাবিদ্যালয়ত বিৰল। তথাপি কি কাৰণত জানো ছাৰক আধুনিক যুগৰ সেই সৰ্বনাশী ৰোগটোৱে আক্ৰমণ কৰিলে। ছাৰে প্ৰায়ে কৈছিল হাঁহি-ৰং-ধেমালি কৰি থাকিল বুলিয়ে তেখেতৰ অন্তৰত যে দুখ বেদনা নাই সেয়া নহয়। কিন্তু তাক সন্তৰ্পনে গুপুত ৰাখিছিল নিজৰ মাজত।

ছাৰ আছিল এগৰাকী অতি মৰমীয়াল পিতৃ আৰু দায়িত্বশীল অভিভাৱক। অনেক নিকটাত্মীয়ই তেখেতক অভিভাৱক ৰূপে গ্ৰহণ কৰিছিল। ছাৰৰ দিহা সুপৰামৰ্শৰ কথা আত্মীয়সকলে অতি কৃতজ্ঞতাৰে স্বীকাৰ কৰে। তেখেতৰ স্নেহাশিষধন্য আত্মীয়ই স্মৰণ কৰে যে, সেইসকল আত্মীয় ছাৰৰ ঘৰলৈ আহিব বুলি গম পালে হেনো তেখেতে পদুলিমুখত আধাঘন্টা আগৰপৰাই অপেক্ষা কৰি থাকিছিল। ছাৰৰ বন্ধু অৱসৰপ্ৰাপ্ত মুখ্য অভিযন্তা মনোমোহন চৌধুৰীদেৱে আদ্যশ্ৰাদ্ধ উপলক্ষে আয়োজিত স্মৃতি চাৰণ সভাত উচুপি উচুপি ছাৰৰ গুণানুকীৰ্ত্তন কৰা মূহূৰ্তটো আছিল অতি হৃদয় বিদাৰক।

থিতাতে মৎস্যপুৰাণখন গাই দিব পৰা ছাৰৰ স্মৃতি শক্তিও বৰ প্ৰখৰ আছিল। তেখেতে হেনো পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰ নাম নিৰ্ভুল ভাবে কৈ দিব পাৰিছিল। ছাৰে তেখেতৰ প্ৰিয় ছাত্ৰ-ছাত্ৰী সকলক পাশুপাত, অধম আদি উপনামেৰে মাতিছিল। প্ৰয়াত দেবেন্দ্ৰ নাথ শৰ্মা ছাৰক কাকতি ছাৰে মাতিছিল ভাই বুলি। ভাল-বেয়া সকলো কথা মুখৰ আগতে কৈ দিয়া ছাৰে তীৰ্যক বাক্যবাণেৰে শৰ্মাছাৰক প্ৰায়ে আক্ৰমণ কৰিছিল যদিও ছাৰে তাক নীৰৱে গ্ৰহণ কৰিছিল। ছাৰৰ সম্বোধনবোৰো আছিল বিচিত্ৰ। বৰুৱা ছাৰক দাদু, লক্ষ্মীকান্ত শৰ্মা ছাৰক লক্ষীন্দাৰ, অকণ পাটোৱাৰী ছাৰক পাণেশ্বৰ বুলি মাজে মাজে মতা শুনিছিলোঁ। অৱশ্যে এই আক্ৰমণ বা সম্বোধনৰ অন্তৰালত বিমল হাস্য ৰসৰ উদ্ৰেকৰ বাহিৰে অন্য কোনো অভিপ্ৰায় নাছিল। বসন্ত দত্ত ছাৰৰ ক্ষেত্ৰত কিন্তু ছাৰ আছিল অত্যন্ত বিনয়ী। ছাৰক তেখেতে সদায়ে বাবু বুলি সম্বোধন কৰিছিল আৰু বিনম্ৰ ভাৱে কথা পাতিছিল।

দোষ গুণৰ সমষ্টিয়েই মানুহৰ জীৱন। চাৰো ইয়াৰ উৰ্দ্ধত নাছিল। কেতিয়াবা তেখেত আছিল দাম্ভিক, কেতিয়াবা শান্ত সৌম্য আৰু কেতিয়াবা ধেমেলিয়া। মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সচিব আছিল স্বৰ্গীয় অচ্যুত কান্ত অধিকাৰী ছাৰ। অধিকাৰী ছাৰ কৰবালৈ গলে সংগী আছিল কাকতি ছাৰ আৰু বৰুৱা ছাৰ। বহুতে হেনো ছাৰ দুগৰাকী বহিঃৰাজ্যৰ বডীগাৰ্ড বুলি ভাবিছিল। সেই দিনৰ বকো বজাৰত এটা উদণ্ড ষাঁড় গৰু ঘুৰি ফুৰিছিল। পাহোৱাল ডেকা কাকতি ছাৰক আন সকলে ষাঁড়টোৰ সৈতে যুঁজি দেখুৱাবলৈ জেদ ধৰিলে। ইতিমধ্যে মিঃ ইউনিভাৰচিটি খিতাপ লাভ কৰা ছাৰৰ দম্ভ উঠিল আৰু ষাঁড়টোৰ শিঙত ধৰি ফেপেৰি পাতিলে। প্ৰায় ছয় ফুট উচ্চতাৰ দুৰ্লভ শাৰীৰিক অবয়বৰ ছাৰ আৰু ষাঁড়ৰ যুঁজ আৰম্ভ হ'ল। যুঁজত ষাঁড় হাৰিল সচাঁ; কিন্তু দুৰ্ভাগ্যক্ৰমে খালত পিচলি পৰি ছাৰে কঁকালত আঘাত পালে, যিটো আঘাত তেখেতৰ পিছলৈ চিৰ লগৰীয়া হৈছিল।

অইন এবাৰ আকৌ ছাৰে উকিয়ামত আনৰ বাবে অসম্ভৱ এটুকুৰা প্ৰকাণ্ড শিল অতি বিক্ৰমেৰে দাঙি গাড়ীত তুলিছিল। পিছত সেই বিশেষ শিল টুকুৰাৰ পৰা এটি বিগ্ৰহ তৈয়াৰ কৰি ছয়গাঁও আৰক্ষী চকীৰ সম্মুখত প্ৰতিষ্ঠা কৰা হয়। বৰ্তমান সেই বিগ্ৰহৰ সম্মুখত বিবিধ পূজা অৰ্চনা চলি থাকে। তাৎপৰ্যপূৰ্ণভাৱে ছাৰৰ শেষ বয়সলৈকে চুলিয়ে শুভ্ৰ ৰং লোৱা নাছিল, দাঁত আছিল অক্ষত, আটিল শৰীৰ আছিল নিৰ্মেদ; যথাৰ্থতে এক নিৰ্লোভ ভাস্কৰ্য।

মহাবিদ্যালয়খনৰ শৈক্ষিক সাংগঠনিক সকলো দিশতে ছাৰ আছিল অগ্ৰগনী সৈনিক, সাম্ভাব্য সকলো বিপৰ্যয়ৰ

তেখেত আছিল ত্ৰাণ কৰ্তা স্বৰূপ, আছিল এক নিৰ্ভৰযোগ্য সাহস। মহাবিদ্যালয়খনৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ তেখেত আছিল প্ৰথম গৰাকী প্ৰগ্ৰেম অফিচাৰ। ১৯৮৩ চনত অসম আন্দোলনৰ সময়ত সাম্প্ৰদায়িক শক্তিৰ হাতত বিধ্বস্ত হোৱা ছমৰীয়াসত্ৰ বাসীৰ পুনৰ সংস্থাপনত তেখেতৰ সুদক্ষ পৰিচালনাত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ গোটটোৱে অতি দক্ষতাৰে প্ৰায় এমাহ কাল সেৱা আগবঢ়াইছিল। তাৰ বাবে ৰাষ্ট্ৰীয় নেতা আৰু দুৰ্গত সকলৰ পৰা পাইছিল ভূয়সী প্ৰসংশা আৰু আন্তৰিক কৃতজ্ঞতা। ছাৰৰ তত্বাৱধানত সেই সময়ত কৰা বিভিন্ন সামাজিক কাৰ্যৰ কথা এতিয়াও অনেক প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে অতি আবেগিকভাৱে স্মৰণ কৰে; দূৰ অতীতৰ ধূসৰ নষ্টালজিয়াত ছাত্ৰ-ছাত্ৰীসকল যেন আকণ্ঠ বুৰ যায়।

সামাজিক ভাবে ছাৰ আছিল গভীৰ দায়বদ্ধ ব্যক্তি সমাজৰ সকলো শ্ৰেণীৰ লোকৰ সৈতে আছিল তেখেতৰ অবাঁধ মিত্ৰতা। তেখেত জড়িত থকা সকলো উৎসৱ অনুষ্ঠান সাফল্য মণ্ডিত কৰি তোলাত অহো পুৰুষাৰ্থ কৰিছিল। ছাৰৰ বিশেষকৈ প্ৰিয় ক্ষেত্ৰখন আছিল ক্ৰীড়াঙ্গন। শৰীৰ চৰ্চাৰ উপৰিও এথেলেটিকচ'ৰ সুদক্ষ খেলুৱৈ ছাৰৰ জন্ম স্থান কুকুৰমাৰা আৰু বসতি স্থান বকোৰ সকলো ক্ৰীড়া অনুষ্ঠানৰ সৈতে জড়িত আছিল। বকো ক্ৰীড়া সন্থাৰ সভাপতি হৈ থাকোতেই ক্ৰীড়া সন্থাৰ প্ৰকল্পৰ বাবে প্ৰায় ৫০ বিঘা মাটি সংৰক্ষিত কৰি ৰখাৰ ব্যৱস্থা কৰাটো এক উল্লেখযোগ্য কাম বুলি ক্ৰীড়া প্ৰেমী ৰাইজে তেখেতক সদায়ে কৃতজ্ঞতাৰে স্মৰণ কৰিব।

অসমীয়া সাহিত্যজগতৰ ত্ৰিমূৰ্ত্তি চন্দ্ৰ কুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামীৰ দৰে অন্ততঃ আমাৰ দৰে গুণমুগ্ধ ছাত্ৰসকলৰ বাবে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত বসন্ত কুমাৰ দত্ত ছাৰে প্ৰধানকৈ গীত আৰু কবিতা আৰু বৰুৱা ছাৰ নিবন্ধকাৰ ৰূপে প্ৰতিষ্ঠিত যদিও কাকতি ছাৰৰ বিচৰণ ক্ষেত্ৰ আছিল বহুধা বিভক্ত। ঘৰুৱা খুটি-নাটি কাৰ্যৰ পৰা সামাজিক কৰ্ম কাণ্ডলৈ ছাৰৰ আছিল অবাধ বিচৰণ। চিত্ৰ আৰু সংগীততো ৰুচি ৰখা ছাৰে হেনো যৌৱন কালত অভিনয়ো কৰিছিল। শৰৎ চন্দ্ৰ তালুকদাৰ ছাৰ আৰু বৰুৱা ছাৰে অভিনয় কৰা 'কুৰি শতিকাৰ অসম' নামৰ নাটকখনত ছাৰে হেনো চাওডাঙৰ ভাও লৈছিল। সেয়া নিশ্চয় কম উপভোগ্য নাছিল!


সেয়াই চাগে আৰম্ভণি আছিল। জন্ম স্থান কুকুৰমাৰাত এটি 'মাৰ্কেট কমপ্লেক্স' সজাত ব্যস্ত থাকোতে অকস্মাতে ছাৰ অসুস্থ হৈ পৰিল। পিছলৈ হৃদয়ন্ত্ৰৰ ক্ৰিয়া সুচাৰুৰূপে চলাৰ বাবে তেখেতে শৰীৰত 'পেচমেকাৰ'সংযোগ কৰিব লগীয়া হ'ল। ছাৰে অতি উচ্চ ক্ষমতা সম্পন্ন 'পেচমেকাৰ' ব্যৱহাৰ কৰিছিল। ডাক্তৰে কৈছিল যে, বিশ বছৰলৈ চিন্তাৰ কাৰণ নাই' ছাৰে কৈছিল পাঁচ বছৰ হ'লেই হ'ব। ছাৰ হয়তো অত্যন্ত আত্মবিশ্বাসীহে উঠিছিল। অদমনীয় তেখেতৰ স্বভাৱ। নিত্যনৈমিত্তিক কাম কৰি গৈছিল গতানুগতিক ভাৱে। ইতিমধ্যে চৌহদত সাজি উলিওৱা দুমহলীয়া বিল্ডিংটোত প্ৰৱেশ কৰিবলৈ ছাৰে তৎপৰতা লগাইছিল। হঠাৎ কৰ্মৰত অৱস্থাতে তেখেত অসুস্থহৈ পৰিল, 'হাৰ্টষ্ট্ৰোক'। পৰিয়াল পৰিজন, আত্মীয়স্বজন সকলোৰে কৰুণ প্ৰাৰ্থনা, চিকিৎসকৰ অবিৰত প্ৰচেষ্টা বিফল কৰি ছাৰৰ অবিনাশী আত্মা পৰমাত্মাৰ সৈতে বিলীন হৈ গ'ল। সেয়া আছিল ২০১০ চনৰ ৩ নৱেম্বৰ। তেখেতৰ কৰ্মস্পৃহা আৰু জীৱনাদৰ্শ আমাৰ পৰম পাথেয় হওক। য'তে যি ৰূপতে নাথকক ছাৰৰ বিদেহ আত্মাই যাতে চিৰশান্তি লাভ কৰে তাকেই অন্তঃ কৰণেৰে প্ৰাৰ্থনা কৰোঁ। □□□

* প্ৰবন্ধটি যুগুতালে অধ্যাপক ড° কমলেশ্বৰ ঠাকুৰীয়াই

# বিহংগম দৃষ্টিত জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ বিদ্যায়তনিক দিশ

বসন্ত কুমাৰ দত্ত
অৱসৰ প্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ,
জৱাহৰলাল নেহৰু মহাবিদ্যালয়

**'In every seed lies the promise of a forest'**
**(Deepak Chopra)**



১৯৬৪ চনৰ ৩ আগষ্ট। এই দিনটো বকো অঞ্চলৰ বাইজৰ বাবে লেখত লবলগীয়া দিন। বৃটিশৰ আমোলত আৰু স্বাধীনোত্তৰ কালৰ ভালেমান বছৰ পিছলৈকে অসমত যি ধৰণৰ উচ্চ শিক্ষাৰ ব্যৱস্থা চলি আছিল, অন্ততঃ তাকেই পোৱাৰ মানসেৰে কেইগৰাকী মান শিক্ষাপ্ৰেমী ব্যক্তিৰ উদ্যোগত এই মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰা হৈছিল। প্ৰাৰম্ভিক পৰ্যায়ত গতানুগতিক ভাবে চলি অহা কলা শাখাৰ কেইটামান বিষয়ৰহে পাঠ দানৰ ব্যৱস্থা কৰা হৈছিল। বিষয় কেইটা আছিল অসমীয়া, অসমীয়া দ্বিতীয় ভাষা, বিকল্প অসমীয়া, ইংৰাজী, বিকল্প ইংৰাজী , অৰ্থনীতি, ৰাজনীতি বিজ্ঞান আৰু ইতিহাস। ১৯৭৯-৮০ চনৰ শিক্ষা বৰ্ষৰ পৰা শিক্ষা,ভূগোল আৰু নৃতত্ব বিষয় কেইটা সংযোজিত কৰা হয়। পৰৱৰ্তী পৰ্যায়ত বড়ো ভাষাকো অন্তৰ্ভুক্ত কৰা হয়। ১৯৭৭-৭৮ চনৰ শিক্ষা বৰ্ষত অসমীয়া আৰু অৰ্থনীতি বিষয়ত 'অনাৰ্চ' পাঠ্যক্ৰমৰ প্ৰবৰ্তন কৰা হয়। ১৯৮৬ চনৰ চেপ্তেম্বৰ মাহৰ ১ তাৰিখৰ পৰা অংক, ৰাসায়ন বিজ্ঞান, পদাৰ্থ বিজ্ঞান আৰু জীৱবিজ্ঞান বিষয়ক সামৰি উচ্চতৰ মাধ্যমিক স্তৰত বিজ্ঞান শাখাৰ শুভাৰম্ভ কৰা হয়। ১৯৯৩ চনত বিজ্ঞান শাখাক স্নাতক পৰ্যায়লৈ উন্নীত কৰা হয়। বৰ্তমানলৈ কলা শাখা আৰু বিজ্ঞান শাখাৰ উক্ত বিষয় বোৰৰ (বড়ো ভাষাক বাদ দি) 'মেজৰ' পাঠ্যক্ৰম চলি আছে। অৱশ্যে এতিয়াও কমপক্ষেও কলা-শাখাত তৰ্ক আৰু দৰ্শন, হিন্দী, সংস্কৃত আৰু বিজ্ঞান শাখাত পৰিসংখ্যা বিষয় প্ৰচলন কৰাৰ থল আছে।

একোখন শিক্ষানুষ্ঠানৰ সফলতাই সকলোকে আনন্দিত কৰে আৰু বিফলতাই কৰে বিষাদগ্ৰস্ত। মানুহৰ জীৱনৰ দৰেই শিক্ষানুষ্ঠানৰ ক্ষেত্ৰতো ঘাত-প্ৰতিঘাত, সফলতা বিফলতা পৰিলক্ষিত হয়। সফলতাই উজ্জীৱিত কৰাৰ বিপৰীতে বিফলতাই নতুন উদ্যমেৰে আগ বাঢ়িবলৈ সকিয়নী দিয়ে। বয়স আগবঢ়াৰ লগে লগে মানুহৰ জীৱনলৈ দুৰ্বলতা আহে; কিন্তু এখন শিক্ষানুষ্ঠান যিমানেই পুৰণি হয় সিমানেই সবল হৈ গৈ থাকে। গুৰু নানকে কৈছে- "মানুহ এজনৰ জীৱনৰ

প্ৰথম দহটা বছৰ শিশুকালতে পাৰ হৈ যায়। পৰৱতী দহবছৰ হৈছে বৃদ্ধিৰ সময়। ত্ৰিশ বছৰত তেওঁ এজন সুঠাম পৰিপূৰ্ণ তৰুণ হৈ পৰে। চল্লিশ বছৰত তেওঁ এজন পুৰুষ। পঞ্চাশ বছৰ বয়সত তেওঁ দুৰ্বল অনুভৱ কৰিবলৈ আৰম্ভ কৰে।" এখন শিক্ষানুষ্ঠানৰ ক্ষেত্ৰত মানুহৰ জীৱনৰ চল্লিশ বছৰলৈ থকা বৈশিষ্ট্য সমূহ পূৰ্ণমাত্ৰাই থাকিলেও পঞ্চাশ বছৰৰ লক্ষণ সমূহ নেথাকে। মানুহৰ জীৱনৰ পৰিণতি থাকে; কিন্তু জাগতিক বা মহাজাগতিক কোনো অঘটন নহ'লে শিক্ষানুষ্ঠান যুগমীয়া হৈ থাকে। উদ্ভিদৰ বীজত এখন বিশাল অৰণ্যৰ সম্ভাৱনা নিহিত হৈ থকাৰ দৰে একোখন শিক্ষানুষ্ঠানৰ আৰম্ভণিয়ে বহন কৰে ভৱিষ্যতে জ্ঞান-বিজ্ঞানৰ ন ন সমলেৰে উৎকৰ্ষতাৰ কেন্দ্ৰৰূপে গঢ়ি উঠাৰ সম্ভাৱনা। অৱশ্যে ইয়াৰ বাবে প্ৰয়োজন হয় অনুষ্ঠান খনৰ লগত জড়িত হৈ অহা সকলৰ সকলো ফালৰ পৰাই সৰ্বাত্মক প্ৰচেষ্টা।

জৱাহৰলাল নেহৰু মহাবিদ্যালয়ে ২০১১ চনৰ ৩ আগষ্ট তাৰিখে সাত চল্লিশ বছৰ পূৰ্ণ কৰি আঠচল্লিশ বছৰত ভৰি দি স্বৰ্ণজয়ন্তী বৰ্ষৰ দুৱাৰ-দলিৰ ওচৰ চাপিছে। যি প্ৰত্যাশা আগত ৰাখি শিক্ষানুষ্ঠানখন প্ৰতিষ্ঠা কৰা হৈছিল, এই সময়ছোৱাত কিমানখিনি বাস্তৱায়িত হ'ল, তাৰ বিচাৰ কৰাৰ প্ৰয়োজন। মহাবিদ্যালয় সমূহ স্নাতক পৰ্যায়ৰ শিক্ষানুষ্ঠান। জন্ম লগ্নৰ চাৰি বছৰৰ পিছৰ পৰা অৰ্থাৎ ১৯৬৮ চনৰ পৰা ২০১১ চনলৈকে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ পৰা কিমান সংখ্যক ছাত্ৰ-ছাত্ৰী স্নাতক হৈ ওলাল আৰু তেওঁলোকে জীৱনত কেনেধৰণে সফলতা লাভ কৰিলে তাৰ খতিয়ান ল'লে মহাবিদ্যালয়খনৰ সফলতা-বিফলতাৰ ছবি সাধাৰণ ভাবে পোৱা যাব। এই লেখাত তেনে এখন ছবিকেই তুলি ধৰাৰ প্ৰয়াস কৰা হৈছে।

১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ এই পাঁচ বছৰত মহাবিদ্যালয়ৰ পৰীক্ষাৰ ফলাফল অতি হতাশজনক। অসমৰ অস্তিত্ব ৰক্ষাৰ বাবে সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত চলা আন্দোলনে অসমৰ শিক্ষাখণ্ডত পেলোৱা অশুভ প্ৰভাব ইয়াৰ কাৰণ হ'ব পাৰে। আন্দোলনৰ ফলত ১৯৮০ চনৰ পৰীক্ষাই অনুষ্ঠিত কৰিব পৰা নগ'ল। এই বছৰটোৰ পৰীক্ষা ১৯৮১ চনৰ পৰীক্ষাৰ লগত একেলগে অনুষ্ঠিত কৰা হয়। ১৯৬৮ চনৰ পৰা ২০১১ চন পৰ্যন্ত চৌচল্লিশ বছৰত স্নাতক কলা পৰীক্ষাত ২৯২০ গৰাকী ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হয়। এই সকলৰ ১৬৪২ গৰাকী উত্তীৰ্ণ হয়। গড় হিচাপত উত্তীৰ্ণৰ শতকৰা হাৰ ৫৬.২৩%। ইয়াৰে ৩ জনে ডিষ্টিংচন, ৩ গৰাকীয়ে মেজৰৰ প্ৰথম শ্ৰেণীত, ৬৮৩ গৰাকীয়ে মেজৰৰ দ্বিতীয় শ্ৰেণীত, সাধাৰণ ভাবে উত্তীৰ্ণ সকলৰ ভিতৰত ১২৫ গৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। ৮২৩ গৰাকীয়ে বিভাগহীন ভাবে উত্তীৰ্ণ হয়। গছ হিচাপৰ উত্তীৰ্ণৰ হাৰ একেবাৰে বেয়া নহয় যদিও, সামগ্ৰীক ভাবে এই ছবি উৎসাহজনক বুলিব নোৱাৰি। এটি মনকৰিবলগীয়া কথা হ'ল, স্নাতক শ্ৰেণীত অধ্যায়ন কৰিবলৈ লোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আশানুৰূপ নহয়। এই দিশটো কিবা গেঁঠেলা মাৰি থকাৰ দৰেই হৈছে। চৌচল্লিশ বছৰত স্নাতক কলা পৰীক্ষাত অৱতীৰ্ণ ছাত্ৰ-ছাত্ৰী গড় হিচাপত ৬৬.৪ জনহে।

*মানুহৰ জীৱনৰ পৰিণতি থাকে; কিন্তু জাগতিক বা মহাজাগতিক কোনো অঘটন নহ'লে শিক্ষানুষ্ঠান যুগমীয়া হৈ থাকে। উদ্ভিদৰ বীজত এখন বিশাল অৰণ্যৰ সম্ভাৱনা নিহিত হৈ থকাৰ দৰে একোখন শিক্ষানুষ্ঠানৰ আৰম্ভণিয়ে বহন কৰে ভৱিষ্যতে জ্ঞান-বিজ্ঞানৰ ন ন সমলেৰে উৎকৰ্ষতাৰ কেন্দ্ৰৰূপে গঢ়ি উঠাৰ সম্ভাৱনা। অৱশ্যে ইয়াৰ বাবে প্ৰয়োজন হয় অনুষ্ঠান খনৰ লগত জড়িত হৈ অহা সকলৰ সকলো ফালৰ পৰাই সৰ্বাত্মক প্ৰচেষ্টা।*

১৯৬৪ চনত মাত্ৰ ষাঠি গৰাকী ছাত্ৰ-ছাত্ৰীৰে আৰম্ভ হোৱা মহাবিদ্যালয়খনত যোৱা কেইবছৰমানৰ পৰা হেজাৰ-বাৰশৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি আহিছে। এই সকলৰ গৰিষ্ঠ সংখ্যকেই উচ্চতৰ মাধ্যমিক (উচ্চ শিক্ষাৰ অন্তৰ্গত নহয়) শাখাৰ। এই শাখাৰ ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষাৰ ভাল

ফলাফলৰ ওপৰত স্নাতক মহলাত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা নিৰ্ভৰ কৰে। উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফল আশানুৰূপ নহয়। যি সকল উত্তীৰ্ণ হয়, তাৰো ভাল ফল লাভ কৰা সকল নগৰ-চহৰৰ মহাবিদ্যালয়ত অধ্যয়ন কৰিবলৈ গুচি যায়। মহাবিদ্যালয় খনৰ স্নাতক মহলাত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি নোপোৱাৰ ইও এটি কাৰণ হ'ব পাৰে।

আনহাতে, বিজ্ঞান শাখাৰ স্নাতক শ্ৰেণীত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা পৰ্যাপ্ত নোহোৱাৰ ক্ষেত্ৰতো উক্ত কাৰণকে আঙুলিয়াব পাৰি। বিজ্ঞান শাখাত ১৯৯৭ চনৰ পৰা ২০১১ চনলৈ, পোন্ধৰ বছৰত স্নাতক পৰীক্ষাত ১৯১ গৰাকী ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হয়। এই সকলৰ ১৩২ গৰাকী উত্তীৰ্ণ হয়। গড় হিচাপত উত্তীৰ্ণৰ শতকৰা হাৰ ৬৯.১% শতাংশ। উত্তীৰ্ণৰ এই হাৰ ভাল বুলিয়ে ক'ব লাগিব। ইয়াৰে এগৰাকীয়ে ডিষ্টিংচন, ৫ গৰাকীয়ে 'মেজৰ'ত প্ৰথম শ্ৰেণী, ৩৭ গৰাকীয়ে দ্বিতীয় শ্ৰেণী লাভ কৰিবলৈ সক্ষম হয়। সাধাৰণ ভাবে উত্তীৰ্ণ সকলৰ ভিতৰত ৬১ গৰাকীয়ে দ্বিতীয় বিভাগত আৰু ২৮ গৰাকীয়ে বিভাগহীন ভাবে উত্তীৰ্ণ হয়। বিজ্ঞান শাখাটো বৰ্তমানে শৈশৱৰ ডেওনা পাৰ হৈ বৃদ্ধিৰ পৰ্যায়ত আছে। ইয়াৰ শ্ৰীবৃদ্ধি তৰান্বিত কৰাৰ বাবে আন্তৰিকতাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

মহাবিদ্যালয়খনৰ পৰা স্নাতক উপাধি লাভ কৰা গৰিষ্ঠ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে চৰকাৰী,বেচৰকাৰী অনুষ্ঠান, প্ৰতিষ্ঠান আদিত কৰ্মসংস্থাপন লাভ কৰি আহিছে। শিক্ষা, বেংক সেৱা, জীৱন বীমা, ৰেল বিভাগ, ডাক-তাৰ বিভাগ, প্ৰতিৰক্ষা বিভাগৰ উপৰি কেন্দ্ৰীয় চৰকাৰৰ আন দুই-এটি বিভাগতো কৰ্মসংস্থাপন লাভ কৰিছে। ৰাজ্য চৰকাৰৰ স্বাস্থ্যসেৱা, সমবায়, সমাজ কল্যাণ, বিদ্যুত বিভাগ, গ্ৰামোন্নয়ন, পঞ্চায়ত বিভাগ, আৰক্ষী বিভাগত নিম্ন পৰ্যায়ৰ পৰা আৰম্ভ কৰি মধ্যম পৰ্যায়ৰ বিষয়া-কৰ্মচাৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিবলৈ সক্ষম হৈছে। আৰক্ষী বিভাগত থানাৰ ভাৰপ্ৰাপ্ত বিষয়া, চক্ৰ পৰিদৰ্শক, উপ-আৰক্ষী অধীক্ষক আদি পদত অধিষ্ঠিত হৈছে। একাংশই আইনৰ স্নাতক হৈ অধিবক্তা ৰূপে স্বাধীন ব্যৱসায় কৰিছে। আন কিছু সংখ্যকে চাকৰি-বাকৰি নকৰি ঠিকা-ঠুকলি, সংবাদিকতা, ব্যৱসায় আদিত জড়িত হৈ জীৱন নিৰ্বাহৰ পথ বাচি লৈছে। শিক্ষা খণ্ডতেই অধিক সংখ্যকে কৰ্মসংস্থান লাভ কৰিছে।

কিছু বছৰ আগলৈকে মহাবিদ্যালয়খনৰ পৰা স্নাতক উপাধি লাভ কৰা সকলে নিবনুৱা হৈ থাকিবলগা হোৱা নাছিল। বৰ্তমানৰ কথা সুকীয়া। অসম তথা সমগ্ৰ ভাৰতবৰ্ষতেই শিক্ষিত নিবনুৱাৰ সংখ্যা দ্ৰুতগতিত বাঢ়ি আহি এক উদ্বেগজনক পৰিস্থিতিৰ সৃষ্টি কৰিছে। বৃত্তিমুখী শিক্ষাৰ অভাৱেই শিক্ষিত নিবনুৱা সমস্যাৰ বহুবোৰ কাৰণৰ ভিতৰৰ আন এটি কাৰণ বুলি ঠাঁৱৰ কৰিব পাৰি।

আন্তঃগাঁথনিৰ ক্ষেত্ৰত যোৱা কেইবছৰ মানৰ পৰা, বিশেষকৈ বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা আৰ্থিক সাহায্য লাভ কৰাৰ ফলত মহাবিদ্যালয়খনৰ চকুত লগা ধৰণে উন্নতি হৈছে। এসময়ত পাঠদান কৰিবলৈ প্ৰয়োজনীয় সংখ্যক শ্ৰেণীকোঠাৰ অভাৱ আছিল, ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ বাবে বহিবলৈ আহল-বহল কোঠা নাছিল, উন্নতমানৰ বিজ্ঞানাগাৰ নাছিল, কেন্টিন নাছিল। বৰ্তমানে এনে আহুকলীয়া সমস্যা সমূহৰ ভালেখিনি সমাধান হৈছে। বিদ্যায়তনিক দিশত প্ৰভাৱ পেলাব পৰা বিভিন্ন দিশৰ 'চেল', 'ফৰাম' আদিৰো প্ৰৱৰ্তন কৰা হৈছে। সময়ে সময়ে ভিন ভিন বিষয়ৰ ওপৰত আলোচনা চক্ৰ আদি অনুষ্ঠিত হৈ আহিছে। এনেবোৰ ইতিবাচক দিশ থকাৰ পিছতো 'ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যয়ন পৰিষদ' (চমুকৈ NAAC) এ মহাবিদ্যালয়খন পৰিদৰ্শন কৰাৰ পিছত পৰিষদৰ পৰা সন্মানজনক 'গ্ৰেড' এটি পাবলৈ সক্ষম নহ'ল। পৰিষদৰ নিৰ্ধাৰ্য নিয়ম সম্পূৰ্ণৰূপে পূৰণ কৰিব নোৱাৰাৰ বাবে হয়তো এনে হ'বলৈ পালে। সম্ভৱতঃ স্নাতক মহলাত থাকিবলগীয়া ছাত্ৰ-ছাত্ৰীৰ অভাৱ আৰু পৰীক্ষাৰ ফলাফল আশা ব্যঞ্জক নোহোৱাটোও ইয়াৰে অন্যতম কাৰণ হ'ব পাৰে। হতাশ নহৈ বিফলতাৰ কাৰণবোৰ নিৰ্ণয় কৰি নতুন উদ্যমেৰে আগ বাঢ়িলে এনে ধৰণৰ সাময়িক বিপৰ্যয়ৰ ওৰ নপৰাকৈ নেথাকে।

উপসংহাৰঃ

বৰ্তমান যুগটো বিজ্ঞান আৰু তথ্য প্ৰযুক্তিৰ দিশত

দুৰন্তগতিত আগ বাঢ়ি গৈছে। সময়ৰ উপযোগীকৈ এই মহাবিদ্যালয়খনৰ বিষয়গত আৰু পদ্ধতিগত পৰিৱৰ্তনৰ ক্ষেত্ৰত ভালেখিনি কৰিবলগীয়া আছে। অৱশ্যে এনে ধাৰণা গৰিষ্ঠসংখ্যক মহাবিদ্যালয়, বিশেষকৈ গ্ৰাম্যাঞ্চলৰ মহাবিদ্যালয়ৰ ক্ষেত্ৰত সাৰ্বজনীন বুলিয়ে ক'ব পাৰি। বৰ্তমান সময় আৰু বিশ্বৰ উন্নত দেশসমূহৰ শিক্ষা ব্যৱস্থাৰ লগত খোজ মিলাবলৈ হ'লে উচ্চ শিক্ষানুষ্ঠান সমূহত কম্পিউটাৰ চাইন্স, মাচ্ মিডিয়া, সংবাদিকতা, বিজিনেছ মেনেজমেন্ট, হ'ম চাইন্স, বায়'ফিজিকচ্, বায়'টেকন'লজী, পেট্ৰ'লিয়াম টেকনলজী, ইন্‌ফৰ্মেচন টেকন'লজী আদি প্ৰয়োগিক তথা বৃত্তিমুখী বিষয় সমূহ প্ৰচলন কৰাৰ প্ৰয়োজন আছে। এনেবোৰ পাঠ্যক্ৰমৰ শিক্ষা গ্ৰহণৰ অন্তত শিক্ষাৰ্থী সকলে বিভিন্ন প্ৰকাৰৰ নিয়োজন তথা স্ব-নিয়োজনৰ ক্ষেত্ৰত নিজকে উপযুক্ত বুলি বিবেচনা কৰিব পাৰিব। এই কাম কৰিব লাগিব অসম চৰকাৰ আৰু বিশ্ববিদ্যালয়কেইখনে। কাৰণ মহাবিদ্যালয় সমূহ চৰকাৰী বা প্ৰাদেশিকৃত অনুষ্ঠান; যিবোৰত বিশ্ববিদ্যালয়ৰ দ্বাৰা অনুমোদিত পাঠ্যক্ৰমহে প্ৰচলিত হৈ থাকে। বৰ্তমানে থকা বিষয় সমূহৰ আওপুৰণি পাঠ্যক্ৰম সলনি কৰি ছাত্ৰ-ছাত্ৰীক সময়ৰ লগত খাপ খাব পৰাকৈ উপযুক্ত কৰি তুলিব পাৰিব লাগিব।

মহাবিদ্যালয় এখন একমাত্ৰ বৌদ্ধিক উৎকৰ্ষ সাধনৰে কেন্দ্ৰস্থল নহয়। বহল পৰিসৰত নহ'লেও, স্থানীয়ভাবে সামাজিক, অৰ্থনৈতিক, সাহিত্য-সংস্কৃতি আদি দিশত চৰ্চ্চা আৰু উন্নয়নত অৱদান আগবঢ়োৱাৰ অলিখিত অনিবাৰ্য দায়িত্বও ইয়াৰ আছে। অন্যথা মহাবিদ্যালয়খন কেৱলমাত্ৰ কিছুসংখ্যক ডিগ্ৰীধাৰী লোক সৃষ্টি কৰাৰ কাৰখানাৰ লেখীয়াহে হ'ব। মনত ৰখা আৱশ্যক যে উচ্চ শিক্ষাৰ অনুষ্ঠান এখন এক সৃষ্টিশীল আৰু মানসিকভাবে সুস্থ ব্যক্তিত্বপূৰ্ণ জীৱন গঢ়াৰো মাধ্যম। এই ক্ষেত্ৰত গুণমান বিশিষ্ট গ্ৰন্থসম্ভাৰেৰে সমৃদ্ধ এটি পুথিভঁৰালে সহায় কৰিব পাৰে। প্ৰত্যেক বিষয়ৰ, আন্তৰ্জাতিক পৰ্যায়ৰ কথা নেভাবিলেও, অন্ততঃ ৰাষ্ট্ৰীয় পৰ্যায়ৰ গৱেষণা পত্ৰিকা, প্ৰসংগ পুথি, বিভিন্ন বাতৰি কাকত আদিৰে সমৃদ্ধ পুথিভঁৰাল এটি মহাবিদ্যালয়ৰ আত্মাস্বৰূপ হৈ পৰে। সাধাৰণতে চহকী পুথিভঁৰাল এটি বৌদ্ধিক মহলৰ বাবে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ উঠে। ইয়াৰ উপৰি সকলোৰে শাৰীৰিক, মানসিক উৎকৰ্ষ সাধনৰ বাবে খেল-ধেমালি, সাহিত্য চৰ্চা, কলা আৰু বিজ্ঞান ভিত্তিক আলোচনা চক্ৰ আদিৰ ব্যৱস্থাতো থাকিবই লাগে। এইটো কথা অনস্বীকাৰ্য যে শিক্ষক- শিক্ষয়িত্ৰী সকলৰ প্ৰেৰণাদায়ক আৰু ৰচনাত্মক ভূমিকাৰ দ্বাৰাহে ছাত্ৰ-ছাত্ৰী সকলৰ শৈক্ষিক আৰু বৌদ্ধিক বিকাশ সম্ভৱ আৰু সিয়ে এটি শিক্ষানুষ্ঠানক মহত্ব প্ৰদানত সহায় কৰে।

জৱাহৰলাল নেহৰু মহাবিদ্যালয়ে উৎকৰ্ষতাৰ কেন্দ্ৰৰূপে গঢ় লোৱাৰ পথত আগ বাঢ়িবলৈ হ'লে একান্তই প্ৰয়োজন হ'ব মহাবিদ্যালয় পৰিয়ালৰ সদৌটি সদস্যৰ অনুষ্ঠানটোৰ প্ৰতি আত্মীয়তাৰ মনোভাব আৰু অফুৰন্ত কৰ্মস্পৃহা। □□□

# আধুনিক অসমত নাৰীৰ ভূমিকা

কৰুণা কলিতা
স্নাতক তৃতীয় বৰ্ষ (কলা)

মানৱ সভ্যতা নাৰী আৰু পুৰুষৰ যুটীয়া কাৰ্যকুশলতাৰ চানেকি। কোনো এখন ঠাইৰ সামগ্ৰিক উন্নয়নত নাৰী পুৰুষ উভয়ে সক্ৰিয় ভূমিকা পালন কৰে বা কৰাটো নিত্যান্তই বাঞ্ছনীয়। আধুনিক অসমত নাৰীৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ কিয়নো নাৰীয়ে অসমৰ এক অপৰিহাৰ্য অংগ হিচাপে ইয়াৰ সামগ্ৰিক উন্নয়নত এক প্ৰশংসনীয় ভূমিকা গ্ৰহণ কৰি আহিছে। এইখিনিতে 'আধুনিক অসম' বুলি কওঁতে ইয়াৰ আৰম্ভণিৰ কালছোৱাৰ কথা স্পষ্ট কৰি দিয়াতো উচিত হ'ব। সচৰাচৰ ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিমতে অসমৰ শাসনভাৰ ইংৰাজৰ হাতলৈ যোৱাৰ পিছত আৰু ইয়াৰ ফলস্বৰূপে অসমত পশ্চিমীয়া সভ্যতাৰ প্ৰভাৱ পৰাৰ লগে লগে অসমত আধুনিক যুগ আৰম্ভ হোৱা বুলি ধৰা হয় (বিশেষকৈ সাহিত্য আৰু সংস্কৃতিৰ ক্ষেত্ৰত)। অৰ্থাৎ এয়াই আধুনিক অসমৰ আৰম্ভণি। কিন্তু এই ৰচনাখনিৰ দৈৰ্ঘ্য আৰু তথ্যৰ পৰ্যাপ্ততাৰ প্ৰতি লক্ষ্য ৰাখি বিংশ শতিকাৰ আৰম্ভণিৰ পৰা অৰ্থাৎ ১৯০১ চনৰ পৰাহে আধুনিক অসমত নাৰীৰ ভূমিকা সম্পৰ্কে ইয়াত আলোচনা কৰা হ'ল। অৱশ্যে ১৯০১ চনৰ পৰা নাৰীৰ ভূমিকা আলোচনা কৰাৰ আৰত অন্য এটা কাৰণো আছে। ১৯ শতিকাৰ সময়ছোৱাত অসমত সামগ্ৰিক সাক্ষৰতাৰ হাৰ অতি কম আছিল আৰু ইয়াতকৈ নগন্য আছিল মহিলা সাক্ষৰতাৰ হাৰ। শিক্ষাৰ অভাৱত এই সময়ছোৱাত অসমত নাৰীৰ ভূমিকা একেবাৰে উলাই কৰিব পৰা বিধৰ নাছিল যদিও সেয়া এক বিশেষ উল্লেখযোগ্যও নাছিল বুলি মোৰ ধাৰণা। মোৰ অধ্যয়নৰ ক্ষুদ্ৰ পৰিধিমতে এই সময়ছোৱাত মাত্ৰ কেই গৰাকীমান মহিলা সাহিত্যিকেহে কাব্য সাহিত্যত কিছু অৰিহণা যোগাই গৈছে। তেওঁলোকৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য হৈছে বিষ্ণুপ্ৰিয়া দেৱী আৰু পদ্মাৱতী দেৱী ফুকননী। যি কি নহওঁক আধুনিক অসমত নাৰীৰ ভূমিকা মূলত চাৰিটা ভাগত বিভক্ত কৰি আলোচনা কৰিব পাৰি -

(১) ভাৰতৰ স্বাধীনতা আন্দোলনত পালন কৰা সক্ৰিয় ভূমিকা, (২) অসমৰ বৌদ্ধিক জগতখনৰ উত্তৰণত গ্ৰহণ কৰা ভূমিকা, (৩) অসমৰ সাংস্কৃতিক জগতখনৰ বিকাশত পালন কৰা ভূমিকা আৰু (৪) অসমৰ অৰ্থনৈতিক উন্নয়নত লোৱা গুৰুত্বপূৰ্ণ ভূমিকা।

আধুনিক অসমত নাৰীৰ ভূমিকা ওপৰোক্ত চাৰিটা ভাগৰ আধাৰত তলত আলোচনা কৰা হ'ল।

আধুনিক অসমীয়া নাৰীৰ সাহসিকতাৰ প্ৰমাণ পোৱা যায় ভাৰতৰ স্বাধীনতা সংগ্ৰামত তেওঁলোকে দেখুওৱা বীৰত্বৰ চানেকিত। ভাৰতৰ স্বাধীনতা সংগ্ৰামত আধুনিক অসমীয়া মহিলাৰ অৱদান বা ভূমিকাৰ উমান দিবৰ বাবে তলৰ তিনিগৰাকী মহীয়সী নাৰীৰ নামেই যথেষ্ট হ'ব বুলি মই ভাবো।

(ক) ভোগেশ্বৰী ফুকননী ( ১৮৮৫-১৯৪২) — এওঁ এগৰাকী অন্যতম মহিলা স্বাধীনতা সংগ্ৰামী। ১৯৪২ চনত মহাত্মা গান্ধীৰ নেতৃত্বত হোৱা ভাৰত ত্যাগ আন্দোলনত এওঁ সক্ৰিয় ভূমিকা গ্ৰহণ কৰি অসীম সাহসিকতাৰ পৰিচয় দিছিল। এই আন্দোলনৰ সময়ত এগৰাকী ইংৰাজ বিষয়াই জাতীয় পতাকাক অপমান কৰিছিল। এই অপমানৰ প্ৰতিবাদ কৰিবলৈ বীৰদৰ্পে আগুৱাই গৈ বিষয়াজনৰ গুলিত এই মহিয়সী নাৰীয়ে মৃত্যু বৰণ কৰে ( ১৯৪২, ২০ চেপ্তেম্বৰ)।

(খ) কনকলতা বৰুৱা ( ১৯২৮-১৯৪২) - এওঁৰ জন্ম

গহপুৰত। এওঁ ১৯৪২ চনৰ ভাৰতত্যাগ আন্দোলনৰ অন্য এগৰাকী অসমীয়া মহিলা শ্বহীদ । এই আন্দোলনৰ সময়ত 'মৃত্যু বাহিনী'ত যোগ দিয়ে আৰু গহপুৰ থানাত পতাকা উৰুৱাবলৈ গৈ শ্বহীদ হয় ১৯৪২ চনৰ ২০ চেপ্তেম্বৰ তাৰিখে।

(গ) চন্দ্ৰপ্ৰভা শইকীয়ানী ( ১৯০১ - ১৯৭২) - অন্য এগৰাকী বীৰঙ্গণা মহিয়সী নাৰী। স্বাধীনতা সংগ্ৰামত সক্ৰিয় ভূমিকা গ্ৰহণ কৰাৰ উপৰিও নাৰীৰ মৰ্যাদাৰ হকে যুঁজি সমাজ সংস্কাৰ সাধন কৰা প্ৰথম অসমীয়া নাৰী। 'অসম মহিলা সমিতি'ৰ জন্মদাত্ৰী আৰু ১৯২৬ চনৰ পৰা ৭ বাৰৰ বাবে একেৰাহে ইয়াৰ সম্পাদিকা।

এনেদৰে আধুনিক অসমীয়া নাৰীসকলে অতুল সাহসেৰে ভাৰতৰ স্বাধীনতা সংগ্ৰামত জপিয়াই পৰি এক অবিস্মৰণীয় ভূমিকা পালন কৰিছিল।

আধুনিক অসমত নাৰী ভূমিকা আটাইতকৈ উল্লেখযোগ্য আৰু চকুত লগা সাহিত্যৰ জগতখত। এই ক্ষেত্ৰত একে আষাৰে স্বীকাৰ কৰিব লাগিব যে আধুনিক অসমত পুৰুষৰ সমানে সমানে নাৰীসকলেও সাহিত্যৰ ক্ষেত্ৰখন চহকী কৰাত অপৰিহাৰ্য ভূমিকা পালন কৰিছে। কেইগৰাকীমান নাৰীৰ যোগেদি ইয়াৰ উদাহৰণ দাঙি ধৰা হ'ল -

(ক) ধৰ্মেশ্বৰী দেৱী বৰুৱানী (১৮৯২-১৯৬০) ঃ এখেত অসমীয়া আধুনিক সাহিত্য জগতৰ প্ৰাৰম্ভিক সময়ৰ কবি। কাব্য প্ৰতিভা আৰু অসমীয়া সাহিত্যলৈ আগবঢ়োৱা অৱদানৰ বাবে অসম সাহিত্য সভাই ১৯৫৬ চনত 'কাব্য ভাৰতী' উপাধি প্ৰদান কৰে। কেইখনমান প্ৰকাশিত পুথি - ফুলৰ শৰাই, অশ্ৰুধাৰা, প্ৰাণৰ পৰশ, জীৱন তৰী আদি ।

(খ) কমলালয়া কাকতি ( ১৮৯৪-১৯৪৬) - ১৯২৭ চনত প্ৰথম অসমীয়া মহিলা আলোচনী 'ঘৰ জেউতি' সম্পাদনা কৰি আধুনিক অসমীয়া নাৰীৰ চিন্তাধাৰাৰ উন্নীতকৰণত বিশেষ ভূমিকা পালন কৰিছে।

(গ) নলিনীবালা দেৱী ( ১৮৯৮ - ১৯৭৭) অসম সাহিত্য সভাৰ প্ৰথম মহিলা সভানেত্ৰী ( ১৯৫৪ চনৰ ১ জানুৱাৰী) আৰু পদ্মশ্ৰী সন্মান লাভ কৰা প্ৰথম অসমীয়া মহিলা সাহিত্যিক। এখেতে ১৯৬৭ চনত অলকানন্দা কাব্য পুথিখনৰ বাবে অকাডেমী বঁটাও লাভ কৰে। কেইখনমান প্ৰকাশিত পুথি - সন্ধিয়াৰ সুৰ, সপোনৰ সুৰ, যুগদেৱতা, পৰশমণি আদি।

(ঘ) নিৰ্মলপ্ৰভা বৰদলৈ ( ১৯৩৩-২০০৪) প্ৰসিদ্ধ কবি। ১৯৯১ চনৰ অসম সাহিত্য সভাৰ সভানেত্ৰী। এখেতে ১৯৮৩ চনত 'সুদীৰ্ঘ দিন আৰু ঋতু' গ্ৰন্থৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰে। কেইখনমান প্ৰকাশিত পুথি - অন্তৰঙ্গ, দিনৰ পিছত দিন', দেৱী, শিৱ, সূৰ্য আদি। জীৱন বৰ অনুপম তেখেতৰ আত্মজীৱনী গ্ৰন্থ।

(ঙ) নিৰুপমা বৰগোহাঞি ( ১৯৩২) বিশিষ্ট সাংবাদিক, উপন্যাসিকা আৰু গল্পকাৰ। এখেতে 'অভিযাত্ৰী' গ্ৰন্থৰ বাবে ১৯৬৬ চনত সাহিত্য অকাডেমী বঁটা লাভ কৰাৰ লগতে ২০০৩ চনত অসম উপত্যকা বঁটাও লাভ কৰে। অন্যান্য পুথি - পল্লৱীৰ পৃথিৱী, সেই নদী নিৰৱধি, হৃদয় এটা নিৰ্জন দ্বীপ আদি।

(চ) মামনি ৰয়চম গোস্বামী ( ১৯৪১-২০১১ ) - এখেত বিশিষ্ট উপন্যাসিকা, গল্প লেখিকা আৰু ৰামায়ণী সাহিত্যৰ গৱেষক। 'জ্ঞানপীঠ' বঁটা লাভ কৰা প্ৰথম আৰু একমাত্ৰ অসমীয়া মহিলা। প্ৰকাশিত পুথিৰ ভিতৰত 'হৃদয় এক নদীৰ নাম', মামৰে ধৰা তৰোৱাল আৰু দুখন উপন্যাস 'দতাঁল হাতীৰ উঁয়ে খোৱা হাওঁদা' আদি। ( মামৰে ধৰা তৰোৱাল আৰু দুখন উপন্যাসৰ বাবে ১৯৮২ চনত সাহিত্য অকাডেমী বঁটাও লাভ কৰে। আধা লিখা দস্তাবেজ লেখিকাৰ আত্মজীৱনীমূলক গ্ৰন্থ।

ওপৰোক্ত বৰেণ্য মহিলা সকলৰ উপৰিও বনমালী শইকীয়া, বাসন্তী বৰদলৈ, শশীপ্ৰভা বৰুৱা, প্ৰবীণা শইকীয়া, স্নেহ দেৱী আদি মহিয়সী অসমীয়া নাৰীয়ে তেওঁলোকৰ অমূল্য সৃষ্টিৰাজিৰে আধুনিক অসমৰ বৌদ্ধিক জগতখনৰ উত্তৰণত মুখ্য ভূমিকা গ্ৰহণ কৰি আহিছে।

আধুনিক অসমত নাৰীয়ে পালন কৰা অগ্ৰণী ভূমিকাৰ উজ্বল চানেকি পোৱা যায় অন্য এখন ক্ষেত্ৰত। সেই ক্ষেত্ৰখন

হৈছে শিল্প সংস্কৃতিৰ ক্ষেত্ৰ। বিশেষকৈ সংগীত আৰু কথাছবি জগতত অসমীয়া নাৰীৰ ভূমিকা শলাগিবলগীয়া। ইয়াৰে দুটামান উদাহৰণ দাঙি ধৰিব খুজিছোঁ।

(ক) প্ৰতিমা পাণ্ডে বৰুৱা ( ১৯৩৫-২০০২) ঃ ভাৰত বিখ্যাত সংগীত শিল্পী। পঞ্চাশৰ দশকত এওঁ ড০ ভূপেন হাজৰিকাৰ সান্নিধ্যলৈ আহে। ক্ৰমে গোৱালপৰীয়া লোকগীতত শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰে। এওঁক গোৱালপৰীয়া লোকগীতৰ সম্ৰাজ্ঞী বুলিও কোৱা হয়। তেওঁ ১৯৮৯ চনত সংগীত নাটক অকাডেমী আৰু ১৯৯১ চনত পদ্মশ্ৰী সন্মান লাভ কৰে।

(খ) দীপালি বৰঠাকুৰ ( ১৯৪১ - ) ঃ অসমীয়া আধুনিক গীতত কণ্ঠদান কৰা এগৰাকী উল্লেখযোগ্য কণ্ঠশিল্পী। বৰঠাকুৰে অসংখ্য আধুনিক গীতত কণ্ঠদান কৰিছে। ১৯৯৮ চনত পদ্মশ্ৰী বঁটা লাভ কৰে।

(গ) আইদেউ সন্দিকৈ ঃ অসমীয়া ছবিজগতত অভিনয়ৰ ক্ষেত্ৰত এওঁৰ ভূমিকা স্মৰণীয়। এওঁ প্ৰথম অসমীয়া কথাছবি 'জয়মতী' ( ১৯৩৫) ৰ নায়িকা আছিল আৰু কথাছবিত অভিনয় কৰাৰ বাবে তেওঁ আজীৱন অবিবাহিত হৈ ৰব লগাত পৰে।

তেওঁলোকৰ উপৰিও অন্যান্য মহিলা শিল্পীয়ে ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰি আধুনিক অসমৰ সাংস্কৃতিক জগতখন বিচিত্ৰ আৰু চহকী কৰাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছে। তেওঁলোক হ'ল -

মলয়া গোস্বামী - শ্ৰেষ্ঠ অভিনেত্ৰী ১৯৯১ চনত ( কথা ছবি- ফিৰিঙতি)

সীমা বিশ্বাস ঃ শ্ৰেষ্ঠ অভিনেত্ৰী, ১৯৯৬ চনত কথাছবি ( বেণ্ডিত কুইন) ।

ডাঃ সান্ত্বনা বৰদলৈ ঃ 'অৰবিন্দন বঁটা' ১৯৯৬ চনত, বিভিন্ন ভাৰতীয় ভাষাৰ শ্ৰেষ্ঠ পৰিচালিকা (ছবি- অদাহ্য)।

মঞ্জু বৰা ঃ বিভিন্ন ভাৰতীয় ভাষাৰ শ্ৰেষ্ঠ পৰিচালিকা , ১৯৯৯ চনত ( ছবি- বৈভৱ)।

তৰালি শৰ্মা ঃ শ্ৰেষ্ঠ নেপথ্য কণ্ঠ শিল্পী , ২০০৪ চনত ( আকাশী তৰাৰ কথাৰে)

গতিকে দেখা গ'ল যে আধুনিক অসমৰ সাংস্কৃতিক জগতখনতে নাৰীৰ ভূমিকা শলাগিবলগীয়া আৰু নিশ্চিতভাৱে প্ৰসংসাৰ যোগ্য।

অসমৰ অৰ্থনৈতিক উন্নয়নো বহু পৰিমাণে নাৰী সকলৰ ওপৰত নিৰ্ভৰশীল। অসমৰ প্ৰধান দুবিধ ৰপ্তানি সামগ্ৰী চাহ আৰু এড়ি -মুগাৰ বস্ত্ৰ উৎপাদনত নাৰীয়ে মুখ্য ভূমিকা পালন কৰে। চাহপাত খেতিত আৰম্ভণিৰ পৰা শেষলৈকে অৰ্থাৎ চাহগছৰ পৰা পাত কাটি শুকোৱাৰ পৰা পেকেজিঙলৈ মহিলা সকলেই বেছিভাগ কাম সমাপন কৰে। আনহাতে অসমৰ বস্ত্ৰ শিল্প বিশ্ববিখ্যাত হোৱাৰ মূলতে আছে অসমীয়া নাৰীৰ অৰ্থনৈতিক সক্ৰিয়তা আৰু এক পৰিশ্ৰমী মানসিকতা। সকলো ধৰণৰ কৃষিতেই নাৰীয়ে অংশগ্ৰহণ কৰে যদিও পাহাৰীয়া অঞ্চলত কৰা ঝুমখেতিত নাৰীৰ ভূমিকা আটাইতকৈ গুৰুত্বপূৰ্ণ। গতিকে দেখা গ'ল যে আধুনিক অসমৰ নাৰী বৌদ্ধিক আৰু সাংস্কৃতিক জগতত সক্ৰিয় হোৱাৰ লগতে অৰ্থনৈতিক ভাৱেও পৰিপক্ক।

যদিও আধুনিক ( বিংশ শতাব্দীত) অসমত নাৰীৰ ভূমিকা ওপৰোক্ত চাৰিটা ভাগত ভগোৱা হৈছে কিন্তু শেহতীয়াভাৱে প্ৰত্যেক ক্ষেত্ৰত নাৰী সকলে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছে।

গতিকে দেখা গল যে আধুনিক অসমৰ যি প্ৰতিচ্ছবি আজি আমাৰ সন্মুখত আছে তাত নাৰী সকলে অবিস্মৰণীয় ভূমিকা গ্ৰহণ কৰি তেওঁলোকৰ কাৰ্যকুশলতাৰ পৰিচয় দাঙি ধৰিছে। □□□

# সন্ত্ৰাস বনাম ভৱিষ্যত

ৰুবুল পাটোৱাৰী
স্নাতক ১ ম বৰ্ষ (কলা )

আজি অসমৰ মাটিত মৃত্যুৰ বিভীষিকা। চাৰিওফালে অশান্তিৰ পৰিৱেশ। বোমা বিস্ফোৰণ, গুলী বৰ্ষণ আদি। কোনে, কেতিয়া , কিদৰে মৃত্যুক সাৱতি ল'য়-কোনেও ক'ব নোৱাৰে। আমি সকলোৱে যেন এখন অন্ধকাৰ জগতত প্ৰৱেশ কৰিছোঁ। কোনেও নিজৰ জীৱনটোক নিৰাপদ বুলি ভাবি নিজৰ লক্ষ্যত আগবাঢ়ি যাব পৰা নাই আজি। এনেকুৱা অৱস্থাত অসমৰ বহুতো অঞ্চলত কিশোৰ পাঠক-পাঠিকা আৰু বিশেষকৈ শিক্ষাৰ্থীসকলে যথেষ্ট মানসিক শাৰীৰিক তথা বৌদ্ধিক হেঁচাৰ সন্মুখীন হৈছে।

আশাৰ কথা এইটোৱে যে এনে বিপৰ্যয়েও মানৱ সত্ত্বাক কাবু কৰিব নোৱাৰে। নহ'লে মানৰ আক্ৰমণত ছেদেলি-ভেদেলি হৈ যোৱা অসমক থলুৱা মানুহখিনিয়ে পুণৰ সুপ্ৰতিষ্ঠিত কৰিব নোৱাৰিলেহেঁতেন । শ্ৰীমন্তশংকৰদেৱৰ পূৰ্ববৰ্তী কালৰ অসমৰ অৱস্থাও বৰ সন্তোষজনক আছিল বুলি ক'ব নোৱাৰি । নৰবলিৰ প্ৰচলন আছিল, দৰিদ্ৰ আৰু শক্তিহীনসকল বাৰুকৈয়ে লাঞ্চিত, বঞ্চিত, শোষিত হৈছিল। তথাপি এনে ভয়ংকৰ অৱস্থাৰ মাজতো মহাপুৰুষৰ দৰে প্ৰতিভাবান ব্যক্তিৰ জন্ম হৈছিল আৰু সাম্য কৰুণাৰ মন্ত্ৰেৰে এক নৱজীৱনৰ স্বপ্ন বহুতো নিষ্পেষিত মানুহক দেখুৱাছিল। তেওঁ এক সমন্বয়ৰ পথেদি অসমীয়া জাতিটো আগবঢ়াই নিছিল। দ্বিতীয় মহাযুদ্ধৰ সময়ত ইংৰাজসকলে গ্ৰীচ আক্ৰমণ কৰোতে গ্ৰীকসকল কম দুখ কষ্টৰ সন্মুখীন হোৱা নাছিল । তথাপি সেই দুঃ স্বপ্ন যেন লগা সময়ৰ অৱসান ঘটিছিল আৰু শত্ৰুসকল পৰাজিত হৈছিল।

যিসকলে সন্ত্ৰাসক সমস্যা সমাধানৰ পথ বুলি বিবেচনা কৰিছে, মোৰ বোধেৰে তেওঁলোকে শুদ্ধ পথ বাছি লোৱা নাই। কাৰণ সহযোগিতা আৰু মানৱতাৰ পথহে প্ৰকৃত বিকাশৰ পথ। দ্বিতীয় মহাযুদ্ধৰ সময়তো ফেচীজিমৰ অহংকাৰ আৰু শক্তি চুৰ-মাৰ হৈ গৈছিল সহযোগিতাৰ সন্মুখত । তদুপৰি আজি পৃথিৱীত কোনো এনে ঠাই নাই, যলৈকে মানুহৰ পদস্পৰ্শ ঘটা নাই । গতিকে এনে এখন পৃথিৱীৰ কৰবাত লুকাই থাকি মানুহক হত্যা কৰি কোনো সাৰিও যাব নোৱাৰে বা কোনো মহৎ কামো কৰিব নোৱাৰে ।

এনে এটা অৱস্থাত জীৱনৰ পথ কি ? কঠোৰ শ্ৰম, জ্ঞান আহৰণ, আত্মবিশ্বাস আৰু সহযোগিতাৰ দ্বাৰাহে আমি নিজৰ সমাজ তথা দেশৰ ভৱিষ্যত উজ্বল কৰিব পাৰিম । ছাত্ৰ-ছাত্ৰীসকলেও বিপদ-বিঘিনি, অশান্তি আদি সকলো বাধা নেওচি মনোযোগেৰে পঢ়া-শুনা কৰি নিজৰ লক্ষ্যত উপনিত হব লাগে । আনহাতে যিসকল ব্যক্তিয়ে নিজৰ জীৱনত আগবাঢ়ি যাবৰ বাবে অসৎ উপায় অৱলম্বণ কৰিছে সেয়া নিতান্তই ভুল। দেশৰ ভৱিষ্যত নিৰ্ভৰ কৰে উঠি অহা কিশোৰ-কিশোৰী তথা ছাত্ৰ-ছাত্ৰীৰ ওপৰত । অসমৰ প্ৰতি গৰাকী ব্যক্তি তথা ছাত্ৰ-ছাত্ৰীয়ে কঠোৰ পৰিশ্ৰম, একতা, একাগ্ৰতা আৰু সহযোগিতাৰ জৰিয়তে যদি জীৱনৰ লক্ষ্যত উপনিত হ'ব পাৰে, তেনেহ'লে নিজৰ লগতে দেশৰো উন্নতি হ'ব । সন্ত্ৰাসৰ দ্বাৰা যে একো সম্ভৱ নহয় সেয়া শেহতীয়াকৈ বিশ্বৰ কেবাজনো দুধৰ্ষ সন্ত্ৰাসবাদীৰ অকাল মৃত্যু আৰু শেষত গৈ সন্ত্ৰাসবাদীৰ কৰ্তৃপক্ষৰ ওচৰত আত্মসমৰ্পনে এই কথা স্পষ্ট কৰিছে ।□□□

# বৰ্তমান সময়ত অসমৰ সাংস্কৃতিক জগতৰ ছবিখন

জ্যোতিপ্ৰভা অধিকাৰী
স্নাতক ২য় বৰ্ষ (কলা)

সংস্কৃতি হৈছে কোনো এটা জাতি-জনজাতি বা সম্প্ৰদায়ৰ প্ৰতিবিম্ব স্বৰূপ। সংস্কৃতিৰ মাধ্যমেৰে এটা জাতিৰ কলা-কৃষ্টি, ৰীতি-নীতি, সাজ-পাৰ, খাদ্য পৰম্পৰা আদি প্ৰতিফলিত বা প্ৰকাশ হয়। সমগ্ৰ বিশ্বৰ সকলোবোৰ দেশ, জাতি, জন-জাতিৰ একোটা সুকীয়া সংস্কৃতি থাকে। ঠিক একেদৰে আমাৰ অসমো ব্যতিক্ৰম নহয়। অসমৰ সংস্কৃতিও হৈছে বিশ্ব প্ৰসিদ্ধ আকৰ্ষণীয় আৰু সুন্দৰ। অসমৰ প্ৰকৃত সংস্কৃতি দৰাচলতে গঠিত হৈছে থলুৱা গীত-নৃত্য, খাদ্য, সাজ-পাৰ, ৰীতি-নীতিৰ দ্বাৰা। প্ৰকৃতি প্ৰদত্ত মনোৰম সৌন্দৰ্যৰ প্ৰভাৱো অসমৰ সংস্কৃতিত পৰিছে। সেয়েহে ইয়াৰ নানা উৎসৱ-পাৰ্বন প্ৰকৃতিৰ নানা ঋতু বা কালৰ লগত জড়িত।

আমি আটায়ে জানো যে বিহু অসমৰ জাতীয় উৎসৱ। বিহু তিনিটা; ৰঙালী বিহু, ভোগালী বিহু আৰু কঙালী বিহু। চ'ত আৰু ব'হাগ মাহৰ দোমাহিত ৰঙালী বা ব'হাগ বিহু পালন কৰা হয়। পিছে ৰঙালী বিহুৰ প্ৰকৃত ছবিখন আজি দেখিবলৈ পোৱা নাযায়। ব'হাগ মাহৰ আৰম্ভণিত পৃথিৱীৰ সৌন্দৰ্য্য হেজাৰ গুণে বৰ্দ্ধিত হয়। গছে নতুন পাত মেলে, কপৌ-ফুল ফু... লিৰ মিঠা বিননিয়ে চৌদিশ মাধুৰ্য্যময় কৰি তোলে। এনে এক সুন্দৰ পৰিৱেশত অতীতত ডেকা গাভৰুৱে মুকলি পথাৰত, আহতৰ তলত বিহুগীত গাই, নাচি মনৰ আনন্দ প্ৰকাশ কৰিছিল। গৰু বিহু দিনাখন গৰুক গা-ধুৱাই লাও-বেঙেনা খুৱাই নতুন পঘা দিয়া হৈছিল। সৰুৱে ডাঙৰজনক সেৱা জনাই হাতে বোৱা বিহুৱান দি আশীৰ্বাদ গ্ৰহণ কৰিছিল। ডেকাইঁতে ঘৰে ঘৰে হুচৰি গাই গৃহস্থৰ কুশলৰ বাবে প্ৰাৰ্থনা কৰিছিল।

কিন্তু বৰ্তমান আগৰ সেই মুকলি বিহুই ঠাই লৈছে মঞ্চত। প্ৰকৃত থলুৱা বিহু গীতৰ ঠাইত বৰ্তমান কিছুমান নতুন কথা আৰু সুৰৰ বিহু গীতৰ প্ৰচাৰ চলিছে। যিবোৰ আচলতে বিহুগীত নহয়, বিহু সুৰীয়া আধুনিক গীতৰ পৰ্য্যায়তহে ধৰিব পাৰি। গৰু বিহুৰ প্ৰচলন গাঁওসমূহত আছে যদিও নগৰ অঞ্চলৰ কিছু সংখ্যক ল'ৰা-ছোৱালীয়ে হয়তো ইয়াৰ নাম শুনিছে যদিও ইয়াক নিজ চকুৰে দেখা নাই বা এই সম্পৰ্কে কোনো স্পষ্ট ধাৰণাই নাই।

অৱশ্যে এটা কথা ঠিক যে, কিছু সংখ্যক সচেতন শিল্পীৰ প্ৰচেষ্টাত প্ৰকৃত বিহু গীত নাচ বৰ্তমানেও প্ৰচলিত হৈছে।

বিহু তিনিটাৰ এটা অন্যতম হৈছে মাঘ বিহু। এই মাঘ বিহুত লখিমী আদৰি মেজিৰ জুইত আৰ্শীবাদ লৈ ভোজ ভাত খোৱা হয়। কিন্তু বৰ্তমান নগৰ অঞ্চলত মাঘ বিহুৰ নামত এটা চৰকাৰী বন্ধৰ লগতে পেকেটৰ পিঠা লাৰু আৰু মাছ মাংসৰে এসাজ ৰেষ্টুৰেন্টত ভোজ। পূৰ্বৰ কণী যুঁজ, হাতী যুঁজ, ম'হ যুঁজ কুকুৰা যুঁজ মাত্ৰ দুই এঠাইত হে দেখিবলৈ পোৱা যায়। যাৰ ফলত আজিৰ ল'ৰা-ছোৱালীয়ে এইবোৰৰ সম্পৰ্কে অধিক গমকে নাপায়।

ঠিক একেদৰে কঙালী বিহুৰ তুলসী তল আৰু খেতি পথাৰত জ্বলোৱা চাকি গছিৰ তাৎপৰ্য্য বুজি নাপায়। তেওঁলোকে নাজানে ভঁৰাল কি, আকাশ বন্তি কি ? আমিও এনেকৈয়ে হয়তো এওঁলোকৰ ভিতৰতেই অন্তৰ্ভুক্ত হৈ যাব পাৰো।

অৰ্থাৎ আধুনিকতাৰ প্ৰভাৱে আমাৰ বৈজ্ঞানিক দিশত জ্ঞান বঢ়াইছে যদিও সাংস্কৃতিক জ্ঞান সংকীৰ্ণ কৰি আনিছে।

অসমৰ অন্যান্য সৰু বৰ নানা উৎসৱ আছে, যিবোৰ

বৰ্তমান নিৰ্দিষ্ট কিছুমান অঞ্চলৰ বাহিৰে লাহে লাহে বিলুপ্তিৰ দিশলৈ আগবাঢ়িছে; যেনে,- মহ খেদা উৎসৱ, নাও খেলা উৎসৱ, সুঁৱৰী, বিভিন্ন পূজা পাৰ্বন আদি । বৰ্তমান এই সমূহৰ ঠাই লৈছে অন্য দেশ বা ৰাজ্যৰ পৰা ধাৰ কৰি অনা নানা উৎসৱ অনুষ্ঠানে; যেনে,- Friendship day, Valentines day, Mother's day, father's day, ৰাখীবন্ধন আদিয়ে। বৰ্তমান এইবোৰৰ প্ৰভাৱ ইমান বেছি যে, কোনটো অসমৰ কোনটো অসমৰ নহয় ধৰিবই নোৱাৰি।

সংস্কৃতিৰ অন্যতম এটা উপাদান হ'ল থলুৱা কলা কৃষ্টিবোৰ। অসমৰ থলুৱা কলা কৃষ্টি সমূহ অতি মনোমোহা। অসমীয়াৰ জাপি, নাঙল, জুৰলিৰ মাজত ইয়াৰ কাৰিকৰি কলা প্ৰদৰ্শিত হয় । গাঁৱে-ভূঁৱে লুকাই থকা নানা কৃষ্টিসমূহ সঁচাকৈ বৰ মনোৰম । তেওঁলোকৰ নানা লোক নৃত্য যেনে- ৰাভা নৃত্য, বড়ো নৃত্য আদি অতি আকৰ্ষণীয় । পিছে আজিৰ সময়ত এই সমূহৰ আদৰ যথেষ্ট পৰিমাণে কমি যোৱা যেন লাগে। বহু সময়ত সস্তীয়া মনোবৃত্তিৰ কিছু তৰললোকে এইলোক সংস্কৃতি সমূহৰ প্ৰতি উদাস দৃষ্টিভংগী গ্ৰহণ কৰা দেখা যায়।

অসমৰ সাজপাৰ বুলিলে পোনতে মনলৈ আহে আমাৰ অতি আদৰৰ প্ৰতীক স্বৰূপ তাঁতশাল খনলৈ । অতীতত মহিলা সকলে নিজে পিন্ধাৰ লগতে পৰিয়ালৰ অন্য সকলকো নিজে বৈ পিন্ধাইছিল। পিছে আজি এই শালৰ আদৰ পূৰ্বৰ তুলনাত কমিছে । ব্যৱসায় ভিত্তিত কিছু প্ৰসাৰ কৰিছে যদিও গাঁৱৰ বাহিৰে আধুনিক সমাজত তাঁত শাল বা ইয়াৰ লগত সংলগ্ন অন্যান্য সামগ্ৰী যেনে- যতঁৰ, মাকু, গাৰি, ৰাঁহ আদিৰ সম্পৰ্কে নতুন প্ৰজন্মই নাজানে । তাৰোপৰি অসমৰ মূল সাজ নাৰীৰ ক্ষেত্ৰত মেখেলা চাদৰ আৰু পুৰুষৰ চুৰিয়া-চোলাৰ ঠাই লৈছে পেন্ট-চাৰ্ট, চুৰিদাৰ, শাৰী, লেহেংগা-চোলী, ঘাগ্ৰা আদিয়ে । মাজে সময়ে কিছুমান সাজে সংস্কৃতিৰ শালীনতা ভংগ কৰাও পৰিলক্ষিত হয় ।

অসমৰ থলুৱা খাদ্য সমূহ যথেষ্ট পুষ্টিকৰ সুষম তথা সুস্বাদু । যাৰ পৰা কোনো পাৰ্শ্ব ক্ৰিয়াৰ সম্ভাৱনা নাথাকে । পিছে বৰ্তমান অসমক যিদৰে অবৈধ প্ৰব্ৰজনকাৰীয়ে বেৰি ধৰিছে, সেই দৰে খাদ্যৰ ক্ষেত্ৰটো বহিৰাগত ৰন্ধন সম্ভাৰে অধিক আদৰ লাভ কৰিছে । উদাহৰণ স্বৰূপে বৰ্তমানৰ নৱ প্ৰজন্মই অসমীয়া নানা খাদ্য সামগ্ৰী, যেনে- চিৰা, সান্দহ, ঘিলা পিঠা , টেকেলী পিঠা, চুঙা পিঠা, আৰু ব্যঞ্জনৰ ক্ষেত্ৰত থেকেৰা বা বগৰীৰে মাছৰ টেঙাজোল, মাটি মাহৰ দাইল, নানা শাক ভাজি খাৰলি আদিবোৰ পাহৰি অতি চেনেহেৰে আপোন কৰি লৈছে কিছুমান অন্য ঠাইৰ খাদ্য বস্তু যেনে- ৰোল, মোমো, চাওঁমিন, পলাও, ফ্ৰাইড ৰাইচ আদিক ।

অসমখন থলুৱা জনজাতীয় লোকেৰে ভৰা ঐতিহ্য প্ৰবন ৰাজ্য । বৰ্তমান ইয়াত ৰাজনীতিৰ অচিলা লৈ নানা অপ শক্তিয়ে প্ৰবেশ কৰিছে । বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ নিত্ত নতুন আৱিষ্কাৰে আমাক জ্ঞান দিছে হয়, পিছে ইয়াৰ পৰা সমাজত অনৈতিকতায়ো ঠাই লৈছে, যাৰ প্ৰভাৱ পৰিছে অসমৰ সাংস্কৃতিক জীৱনত ।

ইয়াৰোপৰি বৰ্তমান অসমত ক্লাব, পাৰ্টী আদিৰো পয়োভৰ ঘটিছে । য'ত ৰাতি চলে ডেকা-গাভৰুৰ অশ্লীল নৃত্য, মদ-ভাঙৰ এখন লেতেৰা বেহা। ইয়াৰ অপপ্ৰভাবো নিশ্চয় আমাৰ সংস্কৃতিত নপৰাকৈ থকা নাই ।

অসমত আধুনিকতাৰ এটা নতুন ঢৌ উঠিছে। সেয়া হৈছে "Rock show ।" এইটো বিদেশৰ সংস্কৃতি হব পাৰে, কিন্তু আমাৰ নহয় । অসমৰ মানুহৰ সৰলতাৰ সুবিধা লৈ সকলোৱে আমাক চৌ দিশৰ পৰা হেচি ধৰিছে ।

এই সমূহৰ পৰা বৰ্তমান সময়ত অসমৰ সাংস্কৃতিক ছবিখনত কিছু এলান্ধুৰ আৱৰণ পৰা যেন অনুমান হয় ।এই ছবিখন উজ্বল আৰু সকলোৰে বাবে আদৰ্শস্বৰূপ কৰিবলৈ আমি নৱ প্ৰজন্মই সজাগ হ'ব লাগিব । আমি আমাৰ সংস্কৃতিৰ নানা দিশ সমূহত নজৰ ৰাখি সেইবোৰক প্ৰকৃত পথেৰে আগবঢ়াই নিব লাগিব, যাতে আনেও এই সংস্কৃতিক আদৰিবলৈ বাধ্য হয়। আমি আনৰ খিনিকো আদৰিবই লাগিব কিন্তু নিজৰ খিনিক পাহৰি নহয়। সেয়ে আটাইলৈ অনুৰোধ আমি সজাগ হ'বৰ হ'ল । নিজ প্ৰদেশৰ সংস্কৃতিৰ অনুশীলন কৰিলেহে আমি প্ৰকৃত নাগৰিক হ'ব পাৰিম। ●●●

# সাহিত্যত নোবেল বটাঁ বিজয়ী প্ৰথম গৰাকী মহিলা-চেলমা লাগেৰল'ফ

কুকী অধিকাৰী
উচ্চতৰ মাধ্যমিক, দ্বিতীয় বৰ্ষ (কলা)



বিশ্বৰ শ্ৰেষ্ঠ সন্মানীয় বঁটা সমূহৰ বিষয়ে আলোচনা কৰিবলৈ ওলালে পোনতে আমাৰ সকলোৰে মুখলৈ নোবেল বঁটাৰ নামেই আহে। এই লেখনিৰ জৰিয়তে সাহিত্যত নোবেল বঁটা বিজয়ী প্ৰথম গৰাকী মহিলাৰ বিষয়ে এটি পৰিচয় আগবঢ়োৱা হ'ল।

তেওঁৰ নাম আছিল চেলমা লাগেৰল'ফ। ১৮৫৮ চনত ছুইডেনৰ ভেৰ্মলেণ্ডৰ এক অভিজাত পৰিয়ালত চেলমা লাগেৰল'ফৰ জন্ম হৈছিল। ১৯৬২ চনত চেলমাক জীৱনৰ অন্ধকাৰে আৱৰি ধৰা এটা দিনৰ কথা। চেলমাৰ বয়স তেতিয়া প্ৰায় চাৰি বছৰ। সেই দিনা দুপৰীয়া চেলমাই ঘৰৰ সম্মুখতে থকা পুখুৰিটোত দেউতাকৰ সৈতে গা ধোৱাত ব্যস্ত। কিছু সময়ৰ পিছত যেতিয়া কণমাণি চেলমাই পাৰলৈ উঠি আহিছিল তেতিয়া হঠাৎ তেওঁৰ ভৰি দুখন জঠৰ হৈ পৰিছিল আৰু কণমাণি চেলমাই পাৰৰ ঘাঁহনি ডৰাত ঢলি পৰিছিল। এই ঘটনাৰ পিছত চিকিৎসা কৰি চিকিৎসকে চেলমা ইতিমধ্যে একাঙ্গী ৰোগত (Paralysis) আক্ৰান্ত বুলি ঘোষণা কৰিছিল। প্ৰায় ৭ বছৰ নেৰানেপেৰা চিকিৎসাৰ অন্তত তেওঁ যদিও আনৰ সহযোগত সামান্যতম খোজ কাঢ়িব পাৰিছিল, কিন্তু খোজ কঢ়াৰ সম্পুৰ্ণ শক্তি তেওঁ কেতিয়াও জীৱনত ঘূৰাই পোৱা নাছিল। কিন্তু তেওঁ কেতিয়াও হতাশ হোৱা নাছিল। মাক-দেউতাকৰ মৰম আৰু সহযোগিতাৰ ফলস্বৰূপে তেওঁ কেতিয়াও অকলশৰীয়া অনুভৱ কৰিব লগা হোৱা নাছিল। লগতে জীৱনৰ প্ৰতিটো স্তৰতে আগুৱাই যাবলৈ সাহস পাইছিল।

ক্ৰমশ বয়স বাঢ়ি অহাৰ লগে লগে মানসিক ভাৱে অতি স্পৰ্শকাতৰ হৈ পৰা কিশোৰী চেলমাক মাক-দেউতাকে বিদ্যালয়লৈ নপঠিয়াই ঘৰুৱা শিক্ষক নিযুক্তি দি ঘৰতে শিক্ষা জীৱনৰ পাতনি মেলায়। লাহে লাহে চেলমাৰ মনত কিছু পৰিৱৰ্তন ঘটিবলৈ ধৰে। এটা সুন্দৰ ঘৰুৱা পৰিৱেশৰ দ্বাৰা নিজকে শিক্ষিত কৰি তোলাৰ উপৰি ছটা ভিন্ন ভাষা আয়ত্ত

কৰে। অধ্যয়ন আৰু অধ্যাপনাৰ প্ৰতি অদম্য হেপাহ এটা তেওঁৰ মনত জাগি উঠে। ঘৰৰ চাৰিবেৰৰ মাজত আৱদ্ধ নাথাকি উচ্চ শিক্ষাৰ বাবে লেগুচক্ৰোনালৈ ঢাপলি মেলে। লেগুচক্ৰোনাত পঢ়ি থকা সময়খিনিতে তেওঁৰ মনত লেখা-মেলাৰ বীজ গজি উঠে আৰু সেই উদ্দেশ্যেই হাতত কলম তুলি লয়। "জগনি" নামৰ এখন দুমহীয়া আলোচনীত চেলমাৰ প্ৰথম কবিতা প্ৰকাশ পায় আৰু ইয়াৰ দ্বাৰা সাহিত্যিক জীৱনৰ শুভাৰম্ভ কৰে। ১৮৮৭ চনত জগনিত প্ৰকাশিত তেওঁৰ কবিতা সম্ভাৰ পুথি আকাৰত প্ৰকাশ পায়। থিক একে সময়তে লেগুচক্ৰোনাত তেওঁ শিক্ষকতা কৰিবলৈ এক সুবিধা পায়। 'ইদনা' নামৰএখন জনপ্ৰিয় মাহেকীয়া আলোচনীয়ে এখন উপন্যাস লিখা

"Troll Ochmanniskar আৰু Durungen"এই গ্ৰন্থ দুখনে চেলমাক গোটেই বিশ্ববাসীৰ আগত এগৰাকী মহান লেখিকা বুলি পৰিচয় কৰাই দিয়ে। ইয়াৰ লগতে তেওঁৰ আন এখন গ্ৰন্থ হ'ল "Jerujalam" এইখন গ্ৰন্থৰ বাবেই ১৯০৪ চনত তেওঁক ছুইডিছ একাডেমীৰ দ্বাৰা অন্যতম সন্মানীয় স্বৰ্ণ পদক দিয়া হয়।

প্ৰতিযোগিতা আয়োজন কৰিছিল। শিক্ষকতাৰ মাজতে তেওঁ এই প্ৰতিযোগিতাত ভাগ লৈছিল আৰু "Gosta Berlings sega" নামৰ উপন্যাস খন লিখিছিল। উক্ত উপন্যাসখন তেওঁৰ প্ৰথমখন উপন্যাস। এই প্ৰতিযোগিতাত ভাগ লৈ চেলমাই লাভ কৰে 'ইদনা'ৰ শ্ৰেষ্ঠউপন্যাসিক বঁটা। জনপ্ৰিয়তা লভি বিক্ৰীৰ ক্ষেত্ৰত অভিলেখ গঢ়া এই উপন্যাস খনৰ দ্বিতীয় সংস্কৰণটি প্ৰকাশ পায় ১৮৯৫ চনত। দ্বিতীয় সফলতাৰ পিছত চেলমাৰ কলমে আৰু অপেক্ষা নকৰিলে।

তেওঁৰ সমগ্ৰ গ্ৰন্থৰ ভিতৰত দুখন এনেকুৱা গ্ৰন্থ যি কেইখন গ্ৰন্থ বিশ্বৰ প্ৰায় অৰ্ধশতাধিক ভাষালৈ অনুবাদ কৰা হৈছিল। এই গ্ৰন্থ দুখন হ'ল "Troll Ochmanniskar আৰু Durungen"এই গ্ৰন্থ দুখনে চেলমাক গোটেই বিশ্ববাসীৰ আগত এগৰাকী মহান লেখিকা বুলি পৰিচয় কৰাই দিয়ে। ইয়াৰ লগতে তেওঁৰ আন এখন গ্ৰন্থ হ'ল "Jerujalam" এইখন গ্ৰন্থৰ বাবেই ১৯০৪ চনত তেওঁক ছুইডিছ একাডেমীৰ দ্বাৰা অন্যতম সন্মানীয় স্বৰ্ণ পদক দিয়া হয়।

মহৎ আদৰ্শবান আৰু সাহিত্যৰ দিশত জ্ঞানেৰে আৱৰা জ্ঞান মণ্ডিত সাহিত্য সৃষ্টিৰ বাবে চেলমাক বিৰল সন্মানীয় নোবেল বঁটা প্ৰদান কৰে। চেলমা হৈছে সাহিত্যত নোবেল বঁটা বিজয়ী সকলৰ ভিতৰত তৃতীয় আৰু প্ৰথম গৰাকী মহিলা। আনহাতে ক্ৰমিক নম্বৰ অনুসৰি দশমগৰাকী নোবেল বঁটা বিজয়ী। ইতিহাস প্ৰসিদ্ধা এই গৰাকী মহিয়সী নাৰীৰ মৃত্যু হয় ১৯৪০ চনত। শাৰীৰিক ভাৱে অসুস্থ এই গৰাকী বিশিষ্টা সাহিত্যিকে গোটেই বিশ্ববাসীলৈ সাহিত্যৰ যোগেদি যি অৱদান আগবঢ়ালে সেয়া অতুলনীয়। সাহিত্যত প্ৰথম গৰাকী মহিলা নবেল বঁটা বিজয়ীনী চেলমা লাগেৰল'ফক আমি শ্ৰদ্ধাৰে সোঁৱৰিছো। □□□

# কামৰূপী লোকগীতৰ সম্ৰাট শিল্পী ৰামেশ্বৰ পাঠক দেৰলৈ সশ্ৰদ্ধ সোঁৱৰণ

ৰঙালী ৰাভা
স্নাতক ২য় বৰ্ষ (কলা)

অসমৰ লোক সঙ্গীত কামৰূপী লোকগীতৰ কথা কলেই মনলৈ আহে সুকণ্ঠৰ অধিকাৰি প্ৰয়াত শিল্পী ৰামেশ্বৰ পাঠকৰ নামটো। সম্পূৰ্ণ নিৰ্ভেজাল, মুক্ত কণ্ঠেৰে তেখেতে এই লোক সঙ্গীত বিধক এক উচ্চ তথা মৰ্য্যদা পূৰ্ণ আসন দিবলৈ সক্ষম হ'ল।

বৰপেটাৰ ওচৰৰ নগাঁওত ১৯৩৮ চনত জন্ম গ্ৰহণ কৰা ৰামেশ্বৰ পাঠকৰ পিতৃ প্ৰয়াত থানেশ্বৰ পাঠক আৰু মাতৃ ভাগ্যেশ্বৰী পাঠক। সৰুৰে পৰা নিজৰ ঘৰখনতে এক সঙ্গীত মধুৰ পৰিবেশত ডাঙৰ হোৱা পাঠকৰো সঙ্গীতৰ প্ৰতি ধাউতি জন্মিছিল সৰু অৱস্থাতে। গীত গোৱাৰ উপৰিও পাঠক আছিল ফুটবল আৰু ভলিবলৰ এজন নিপুন খেলুৱৈ। কৈশোৰৰ পৰাই যাত্ৰা পাটিত অভিনয় তথা নৃত্যৰে দৰ্শকক আমোদ যোগোৱা ৰামেশ্বৰ পাঠকে পিছলৈ বিষ্ণুৰাভা, পুৰুষোত্তম দাস আদি প্ৰখ্যাত শিল্পীৰ সান্নিধ্যত থাকি বহুখিনি জ্ঞান অৰ্জন কৰিছিল বুলি তেখেতে নিজে প্ৰকাশ কৰিছে।

ছাত্ৰ অৱস্থাত ১৯৬১-৬২ চনত বৰপেটা মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় সঙ্গীত প্ৰতিযোগিতাৰ টোকাৰী গীত শাখাত ১ ম স্থান পোৱা ৰামেশ্বৰ পাঠকদেৱে পিছলৈ আকাশবাণীৰ নিয়মীয়া লোকগীত শিল্পী হিচাবে প্ৰতিষ্ঠা লাভ কৰে।

গুৱাহাটীৰ আৰ্য্যবিদ্যাপিঠ স্কুলত শিক্ষক হিচাবে কাম কৰা পাঠকদেৱে বহুতো গীত ৰচনা কৰি সেইবোৰক লোক সঙ্গীতৰ সুৰেৰে সজাইছিল। মানস কণ্যা, শেৱালী, সন্তান, অপৰাজেয়, এন্টনীমোৰ নাম, আদি বহুকেইখন অসমীয়া ছবিত কণ্ঠ নিগৰোৱা ৰামেশ্বৰ পাঠকে অন্য বহুতো সন্মান লাভৰ



লগতে ১৯৯০ চনত সঙ্গীত নাটক একাদেমী বটা লাভ কৰিছিল। একক গীত সমূহৰ উপৰিও ধনদা পাঠকৰ সৈতে দ্বৈতভাবে গোৱা কামৰূপী লোকগীত সমূহৰে অসমীয়া লোক সঙ্গীতৰ বৰপেৰা চহকী কৰা এইজনা মৰমৰ শিল্পীয়ে ২০১০ চনত আমাৰ পৰা চিৰ বিদায় লয়। আমি শ্ৰদ্ধাৰে সোঁৱৰিছো এই মহান শিল্পী প্ৰতিভাক। □□□

# বিহুগীত, বনগীত আৰু বিহুসুৰীয়া গীত

ড০ কমলেশ্বৰ ঠাকুৰীয়া সহযোগী অধ্যাপক
অসমীয়া বিভাগ

সংস্কৃতিৰ অৰ্থ ব্যাপক । সংস্কৃতি হৈছে এক জীৱন পদ্ধতি, ই সমাজ জীৱনৰ দাপোণ স্বৰূপ । যিবিলাক কৰ্ম আৰু সাধনাৰ যোগেদি মানুহে নিজৰ পৰিপাৰ্শ্বিক আৰু মানসিক অৱস্থাৰ সংস্কাৰ অথবা উন্নতি সুনিশ্চিত কৰিলৈ মানৱ জীৱন যাত্ৰাক অৰ্থবহ কৰি তোলে,সেইবোৰৰ সমষ্টিয়েই হ'ল সংস্কৃতি । যি শিল্পকৰ্মত সম্যক সৃজনশীলতা থাকে, সৌন্দৰ্য আৰু মানৱতা থাকে দৰাচলতে সেয়াই সংস্কৃতি নামৰ যোগ্য ।

গছৰ খোৰোং, পৰ্বতৰ গুহাৰ জীৱন এৰি কেচা মঙহৰ জুতি ত্যাগ কৰি আদিম মানৱে যেতিয়া উৰ্বৰ ধৰিত্ৰীৰ বক্ষ বিদাৰি শইচ ৰোপন কৰি পেটৰ ক্ষুধা নিবাৰণ কৰিবলৈ শিকিলে, প্ৰকৃততে তেতিয়াই মানৱ জাতিৰ ইতিহাসত কৃষ্টিৰ কঠীয়া গজিল ।কালক্ৰমত সেই কঠীয়া লহ পহকৈ বাঢ়ি আহিল আৰু সোণসেৰীয়াহৈ গজি উঠিল । যেতিয়া গাইগুটীয়াকৈ বসবাস কৰা মানবে স্বতন্ত্ৰ জীৱন এৰি সমাজ পাতি জীৱন যাপন কৰিবলৈ শিকিলে, প্ৰতিকুল পৰিবেশত কৃষি উৎসৱ বিহুৰ বীজৰ অঙ্কুৰণ ঘটি ল ।সৃষ্টিৰ প্ৰাৰম্ভিক কালত বিহুগীত আৰু বিহুনাচৰ ৰেহৰূপ কেনে আছিল, তাক সঠিককৈ কোৱা টান ; কিন্তু বতৰীয়া কুলি-কেতেকীৰ সুৰৰ মূৰ্চ্ছনা, বতাহত হালি-জালি পৰা গছ-গছনিৰ অৱলিলা ক্ৰমেই যে বিহুগীত বিহুনাচৰ সৰ্বাত্মক প্ৰেৰণা আছিল, সেই কথা সহজে অনুমান কৰিব পাৰি ।প্ৰকৃতিৰ বুকুতেই এদিন মানুহে পাইছিল অমৃতময় সংগীতৰ সন্ধান। প্ৰাক ঐতিহাসিক যুগৰ উত্তৰ-পূৱ ভাৰতৰ প্ৰাগজ্যোতিষপুৰ, কামৰূপ বা অসম নামৰ এই ভূখণ্ডলৈ নিগ্ৰো, আলপাইন,নিষাদ কিৰাত, আৰ্য আদি জনগোষ্ঠীৰ লোক ভিন্ ভিন্ সময়ত বিভিন্ন পথেৰে দলে দলে আহি বসবাস কৰিবলৈ লৈছিল ।এইসকল জনগোষ্ঠীৰ ভিতৰত অষ্ট্ৰিক বা নিষাদসকল আছিল দ্বিতীয় প্ৰবজনকাৰী দল ।অষ্ট্ৰিকসকলে খেতিবাতি কৰি জীৱন নিৰ্বাহ কৰাৰ প্ৰক্ৰিয়া প্ৰথমে আৰম্ভ কৰে ।বিহু কৃষিভিত্তিক উৎসৱ । সেয়ে অসমীয়া সংস্কৃতিৰ পথাৰত বিহু অষ্ট্ৰিকসকলৰ অৱদান বুলি গণ্য কৰা হয় । অসমত বসবাস কৰা বিভিন্ন গোষ্ঠীৰ মাজত তেজৰ যিদৰে সংমিশ্ৰণ ঘটিছে, একেদৰে ভিন্ন এই জনগোষ্ঠীৰ সাংস্কৃতিক উপাদানৰ সমাহাৰত অসমীয়া সংস্কৃতি গঢ়লৈ উঠিছে সংমিশ্ৰিত যৌগিক সংস্কৃতি ৰূপে । পিছলৈ আৰ্য, নিষাদ, কিৰাত, আলপাইন আদি জনগোষ্ঠিৰ সাংস্কৃতিক মিলনৰ ফলস্বৰূপে বিহুৱে যি ৰূপ লাভ কৰিলে, তাক বিশ্লেষণ কৰা টান ।বিহু সমন্বয়ৰ উৎসৱ, বিহু অসমৰ জাতীয় উৎসৱ । নৱম শতিকাৰ তেজপুৰৰ শিলত কটা বিহুৱলীয়া আৰু নাচনীৰ ভাস্কৰ্যই বিহুৰ ক্ৰম বিৱৰ্তনৰ এটি স্বাক্ষৰ বহন কৰে । মঙ্গোলীয় গোষ্ঠীৰ আহোমসকল ত্ৰয়োদশ শতিকাত চুকাফাৰ নেতৃত্বত পাটকাই পৰ্বত অতিক্ৰম কৰি অসমত প্ৰবেশ কৰে । এওঁলোকেই অসমৰ সাতৰাজ মাৰি একৰাজ কৰে ।স্বৰ্গদেউ ৰুদ্ৰসিংহই গছৰ তলৰ বিহু ৰংঘৰৰ মজিয়ালৈ ৰাজ চ'ৰালৈ আনে ।

বহাগত অসমলৈ বৰদৈচিলাৰ আগমন ঘটে । উখৰ পৃথিৱী জীপাললৈহে উঠে । ধৰিত্ৰী উৰ্বৰ হয়, শস্য -শ্যামলা হয় । সেই একে প্ৰতীকি অৰ্থত ডেকা-গাভৰু সকলেও ব'হাগ বিহুৰ সময়তে মনৰ ভাব আদান-প্ৰদান কৰে, ভৱিষ্যতৰ স্বপ্ন ৰচে । বিহুগীতৰ ভাৱাৰ্থ, নৃত্যৰ মুদ্ৰা বা অঙ্গি-ভঙ্গীত এই বাসনাৰ প্ৰকাশ ঘটে । অতীতত ডেকা-গাভৰুৱে মুকলি পথাৰত,আঁহতৰ তলত বিহু মাৰিছিল । পথাৰত বিহু মৰা

ডেকা-গাভৰুৰ মিলন বাসনাই পৃথিৱীক উৰ্বৰ কৰে বুলি বিশ্বাস কৰা হয় । সংগীতৰ প্ৰভাৱত কৃষি উৎপাদন বৃদ্ধি হয় ই এক বৈজ্ঞানিক সত্য । সুদুৰ অতীতত কৃষিজীৱী ৰাইজৰ বিশ্বাস আছিল যে, যৌন প্ৰবৃত্তিমূলক গীত গালে পৃথিৱীৰ গাতো যৌন উত্তেজনাৰ সঞ্চাৰ হ'ব আৰু পৃথিৱী শস্য সম্ভৱাহৈ উঠিব। সেয়ে যৌন-জীৱনৰ অভিব্যক্তি প্ৰকাশক বিহুগীতবোৰ স্বাভাৱিকতে যৌন উদ্দীপক । সময়ৰ পৰিৱৰ্তনৰ লগে লগে পৰিৱৰ্তনৰ বা-ই সকলোকে স্পৰ্শ কৰে । বিহুও এই পৰিৱৰ্তন আওটাৰ বাহিৰত নাথাকিল। বিহুত অকল ডেকা-গাভৰুৱে নহয় অসমীয়া ল'ৰা-বুঢ়া সকলোৱে দেহ-মন ৰাইজাই কৰে, থৌকি-বাথৌ লাগে । বিহুৰ মাদকতাত বিভোৰ ডেকা-গাভৰুৰ মিলন বাসনাত উচপ খাই উঠা, অশ্লীলতাৰ ছাঁটোকে বাঘ বুলি ভাবি আধুনিক শিক্ষাৱে এচামে বিহু অশ্লীল গীত-মাতৰ বুলি মন্তব্য আগবঢ়ালে । আনন্দৰাম ঢেকিয়াল ফুকন,হলিৰাম ঢেকিয়াল ফুকন, গুনাভীৰাম বৰুৱা, কমলাকান্ত ভট্টাচাৰ্য আদি অসমীয়া ভাষা সাহিত্যৰ কাণ্ডাৰীসকলে বিহুগীতক ভাল দৃষ্টিভঙ্গীৰে চোৱা নাছিল । আনহাতে লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, পদ্মনাথ গোহাঞি বৰুৱা আদি কৃতবিদ্য সাহিত্যিকসকলে বিহু যে অসমীয়াৰ বাপতিসাহোন জাতীয় উৎসৱ তাৰ সপক্ষে মাত মাতি গ'ল । বিহুগীত, বিহুনৃত্য হ'ল যৌথ গীতনৃত্য । আদিম মানুহৰ কলাকাৰ জীৱনৰ ই স্বতঃস্ফুৰ্তবিকাশ আৰু উন্মুক্ত প্ৰকাশ । ইয়াৰ যোগেদিয়ে ডেকা-গাভৰুৱে পৰস্পৰে পৰস্পৰক আকৰ্ষণ কৰিবলৈ প্ৰয়াস কৰে । কেতিয়াবা হয়তো এনেদৰেই গঢ়ি উঠে মিলনৰ স্বৰ্ণসৌধ, দাম্পত্য জীৱনৰ অপূৰ্ব মিলন । ইয়াত নাথাকে প্ৰৱঞ্চনা, কৃত্ৰিমতা, নাথাকে যৌৱনৰ ক্ষণিক উত্তেজনা । আন্তৰিকতা আৰু অকৃত্ৰিমতাই ইয়াৰ মুলমন্ত্ৰ।

১৯৫২ চনত গুৱাহাটীৰ লতাশিল খেলপথাৰত বিহুৱে মঞ্চত স্থান পালে । গছতলৰ বিহুৰ উত্তৰণ ঘটিল নগৰীয়া মঞ্চলৈ । পূৰ্বতে মুকলিৰ ডেকা-গাভৰুৱে সুকীয়া সুকীয়াকৈ বিহু মাৰিছিল । এতিয়াও হুঁচৰিত মহিলাৰ স্থান নাই; একেদৰে জেং বিহুত পুৰুষে অংশ নলয় । আধুনিক যুগত ডেকা-গাভৰুৱে উভয়ে একেলগে বিহু নচা প্ৰথা স্বীকৃত হ'ল । মঞ্চৰ বিহুত দলীয় বিহু প্ৰতিযোগিতা, আনকি বিহুৰাণী, বিহু কুঁৱৰী, বিহু সম্ৰাজ্ঞী আদি প্ৰতিযোগিতাৰ দৰে সামন্ত ধ্যান-ধাৰণাৰ আগমন ঘটিল ।এই সময়তে ব'হাগৰ স্বতঃস্ফুৰ্ত বিহু ব্যৱসায়িক দৃষ্টিভঙ্গীৰ পৰিধিলৈ সোমাই আহে । তথাপি বিহুগীতৰ মাদকতাৰ ম্লান পৰা নাই । অধিক উৎসাহেৰে জনসাধাৰণে বিহু নৃত্য আদৰিছে । অসমৰ মুকলি পথাৰ, গছৰ তলৰ বিহুৱে বিশ্বৰ সাংস্কৃতিক দৰবাৰত স্থান লাভ কৰিছে ।

যি সময়ত অসমৰ এচাম সভ্য শিক্ষিতলোকে বিহু অশ্লীল বুলি নাক কোচাঁইছিল সেই সময়তে বনকোঁৱৰ আনন্দিৰাম দাসে বিহুগীতৰ সুৰ আৰু থলুৱা সুৰৰ সংমিশ্ৰণিত একশ্ৰেণীৰ নতুন গীতৰ সৃষ্টি কৰে । এই শ্ৰেণীৰ গীতবোৰক বনগীত নাম দিয়া হয় । বনগীত নামটো আনন্দিৰাম দাসে নিজে দিয়া নাম । বনগীত অসমীয়া গীতি সাহিত্যলৈ তেওঁৰ অনবদ্য অৱদান । বনগীতৰ বৈশিষ্ট্য সম্পৰ্কে স্ৰষ্টাই নিজেই উল্লেখ কৰিছে যে, প্ৰাকৃতিক পটভূমিত চহা জীৱনৰ সুখ-দুখ,বিৰহ বেদনা মিহলি কথাৰ লগতে প্ৰকৃতিৰ বিনন্দীয়া ৰূপ ৰাশি হ'ল বনগীতৰ প্ৰাণ । যিমান পৰা যায় সংস্কৃত শব্দ পৰিহাৰ কৰি ঘৰুৱা থলুৱা শব্দ প্ৰয়োগ কৰা হয় । বনগীতৰ মাজেদি অসমীয়া জাতিৰ সাংস্কৃতিক উপাদান আৰু পুৰণি ঐতিহ্য প্ৰকাশ কৰা হয় । ভাৱ-ভাষা কতো কঠিনতা নথকা এই গীতবোৰত মিঠা মিঠা শব্দ প্ৰয়োগ কৰি গীতবোৰ আবেদনশীল কৰিবলৈ যত্নকৰা হয় ।

আনন্দিৰাম দাসৰ দৰে বনগীত ৰচনা সুৰ কণ্ঠ প্ৰদান কৰি জনপ্ৰিয় হোৱা আন এগৰাকী গীতিকাৰ সুৰকাৰ তথা কণ্ঠশিল্পী হ'ল ৰুদ্ৰ বৰুৱা । ৰুদ্ৰ বৰুৱাই গাঁও অঞ্চলৰ সহজ-সৰল ধৰ্মতত্ব দেহতত্ব, সাংসাৰিক জীৱনৰ বিচিত্ৰসুখ-দুখ, আশা-আকাংখা, জীৱনৰ আদৰ্শ, ডেকা-গাভৰুৰ প্ৰেম-প্ৰীতি, সমাজ বান্ধোন, স্ত্ৰী- পুৰুষৰ সামাজিক দায়িত্ব, নাৰীদেহৰ বৰ্ণনা,সাজ-পাৰ,অলঙ্কাৰ,গাঁৱৰ গছ-গছনি, খেতিপথাৰ, ভাওনা-সবাহ, ৰীতি-নীতি, আচাৰ ব্যৱহাৰ আদি এই গীতবোৰৰ মাজেদি আবেগ পূৰ্ণভাৱে প্ৰকাশ কৰিছে ।

বনগীতৰ ধাৰাক শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰা আন গৰাকী শিল্পী গীতিকাৰ হ'ল পাৰ্বতী প্ৰসাদ বৰুৱা। স্বকীয় শৈলীৰে অসমীয়া আধুনিক গীতক নব্য ৰূপ দিয়া পাৰ্বতী প্ৰসাদ বৰুৱা নিজে এগৰাকী গীতিকাৰ, সুৰকাৰ অছিল ।গীতৰ কথাআৰু সুৰত সুৰীয়া মৌলিক বৈশিষ্ট্য থকা কাৰণে তেখেতৰ গীতবোৰক অসমীয়া সংগীত জগতত 'পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীত' নামেৰে অভিহিত কৰা হৈছে। কিন্তু তেখেতৰ অনেক গীত 'পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীত'ৰ অন্তভুক্ত হৈয়ো বনগীত হিচাপে প্ৰচলিত হৈ আহিছে । এসময়ত আকাশবাণী যোগে অসমীয়া আধুনিকগীত পৰিবেশন কৰিলে শিল্পী গৰাকীয়ে দুটা আধুনিক গীতৰ লগতে এটি বনগীত পৰিবেশন কৰাটো বাধ্যতামূলক আছিল । বনগীতৰ সমাদৰ এতিয়াও আছে । অনেক গুনী-জ্ঞানী শিল্পীয়ে বিভিন্ন মাধ্যমত বনগীত পৰিবেশন কৰি, বনগীতৰ কৰ্মশালা পাতি এই শ্ৰেণী গীতৰ প্ৰচাৰ আৰু প্ৰসাৰত আত্মনিয়োগ কৰিছে । বনগীত অসমীয়া সংগীতৰ সুপ্ৰতিষ্ঠিত ধাৰা । ইয়াৰ মুল উৎস হ'ল বিহুগীত । এচাম শিক্ষিত লোকৰ মাজত বিহুগীত মাত অশ্লীল বুলি বিবেচিত হোৱাত বিহুগীতৰ সোনসেৰীয়া কথা আৰু সুৰৰ যাতে বিলুপ্তি নহয় সেই উদ্দেশ্য আগত ৰাখিয়ে আনন্দিৰাম দাসে বনগীত ৰচনা কৰে ।

সাম্প্ৰতিক কালৰ যুগটো বিশ্বায়নৰ যুগ । এই যুগত সমগ্ৰ পৃথিবীখনে যেন এখন গাঁওলৈ পৰ্যবেশিত হৈছে । তথ্য আৰু প্ৰযুক্তি বিদ্যাৰ দ্ৰুত বিকাশে সমাজ জীৱনলৈ আনি দিছে দ্ৰুত পৰিবৰ্তন ।এই পৰিবৰ্তনে বিশেষকৈ সাংস্কৃতিক দিশলৈ অভাৱনীয় আৰু অনাকাঙ্খিত বিপ্লৱ আনিছে । প্ৰধানকৈ পাশ্চাত্য সংস্কৃতিৰ আগ্ৰাসনে অসমীয়া সাংস্কৃতিক জগতলৈ এক প্ৰকাৰ বিপৰ্যয় আনিছে । আগেয়ে বিহুৰ সাংস্কৃতিক কাৰ্যসূচীত যি গীত-মাত নৃত্যই ৰজন জনাই আছিল, তালৈয়ো যেন নামি আহিছে পৰিৱৰ্তনৰ নামত বিপৰ্যয়ৰ এক অশনি সংকেত ।

বিহু লোক উৎসৱ । বিহু, বিহুগীত,বিহুনৃত্য অসমীয়া লোক সংস্কৃতিৰ অনবদ্য উপাদান । লোক সংস্কৃতি হৈছে লোকজীৱনৰ ধ্যান-ধাৰণা, আশা-আকাংখা, সুখ- দুখৰ, মূৰ্ত প্ৰকাশ । জনসাধাৰণৰ ৰুচি অনুসৰি লোক সংগীতৰ ৰূপৰো সলনি ঘটে । লোক সংগীতৰ বৈশিষ্ট্য হল ই লোকসমাজৰ জনপ্ৰিয় লঘু সংগীত যত পৰম্পৰাগত লৌকিক আচাৰ অনুষ্ঠান ৰীতি-নীতি আদিৰ সৈতে নৃত্য আৰু গীতো অন্তৰ্ভুক্ত হয় । লোক সংগীতৰ সৃষ্টি হৈছিল প্ৰধানকৈ লোক ৰঞ্জনৰ বাবে, অঞ্চলভেদে জনৰুচি অনুযায়ী সময় সাপেক্ষ ।ই শাস্ত্ৰীয় সংগীতৰ কঠোৰ ৰীতি-নীতিৰ পৰা মুক্ত । সেই কাৰণে যুগৰ লগে লগে লোক সংগীতৰ পৰিৱৰ্তন ঘটাটো স্বাভাৱিক কথা। ইয়াত ৰচকৰ নাম নাথাকে ।মুখ বাগৰা পৰম্পৰাৰে এই শ্ৰেণীৰ গীত যুগ যুগ ধৰি মানুহৰ মাজত চলি থাকে । সেয়ে লোকগীতৰ ভাৱাৰ্থ একে থাকে; কিন্তু বিশেষকৈ ভাষাৰ পৰিৱৰ্তন ঘটে। বিহুগীততো এই পৰিৱৰ্তন লক্ষ্য কৰা যায় । উনবিংশ শতিকাত পোন প্ৰথমে অসমীয়া লোকগীত সংগৃহীত আৰু প্ৰকাশিত হ'বলে ধৰে । লোক সাহিত্যই লিখিত ৰূপ পোৱাৰ লগে লগে ই এক স্থবিৰ ৰূপ লাভ কৰে । মানুহৰ মুখে মুখে এই গীতবোৰ চলি আহোঁতে গীতবোৰৰ বহুতো পৰিৱৰ্তন আৰু পৰিৱৰ্ধন হয় । কিন্তু ই লিখিত ৰূপ পোৱাৰ লগে লগে তাৰ পৰিৱৰ্তন আৰু পৰিৱৰ্ধন কাৰ্য স্তব্ধ হৈ যায় । নকুলচন্দ্ৰ ভূঞাই প্ৰথমে 'বহাগী' নামেৰে বিহুগীতৰ এখনি সংকলন প্ৰকাশ কৰে । বহু ক্ষেত্ৰত সংকলকৰ জ্ঞাতে বা অজ্ঞাতে এনে গীতত সংযোজন বিযোজন ঘটে । এনে গ্ৰহণ বৰ্জনৰ মাজেদি লোকগীতে পৰিপুষ্টি লাভ কৰে । অতি সাম্প্ৰতিক কালত বিহুগীত বুলি যি বোৰ নতুন ধৰণৰ গীত বিভিন্ন মাধ্যমত প্ৰচাৰহৈ আছে, সচেতন সাংস্কৃতিক কৰ্মীসকলে এই কথা গভীৰ উদ্বিগ্নতাৰে লক্ষ্য কৰিছে আৰু এনে গীতে বিহুগীতৰ পূৰ্বৰ মৰ্যদা কিমান পৰিমানে ৰক্ষা কৰিব তাত সন্দেহ প্ৰকাশ কৰিছে । বিহু সন্মিলন, ব'হাগী উৎসৱ, ব'হাগী বিদায় আদি নামেৰে গোটেই ব'হাগ মাহটোত বিভিন্ন উৎসৱ পালন কৰা হয় । পৰিতাপৰ কথা এই অনুষ্ঠানবোৰত বিহুৰ সলনি বিহু সুৰীয়া গীত-মাত পৰিবেশন কৰি লাখটকীয়া শিল্পীয়ে গোটেই নিশা গীত গাই শ্ৰোতা দৰ্শকক আমোদ

দিয়ে । এতিয়া প্ৰশ্ন উঠিছে এই গীতবোৰ বিহুগীত নে, ই গ্ৰহণ যোগ্য নে ?

সাহিত্য সংগীতৰ মূল উদ্দেশ্য হ'ল মানুহৰ হৃদয়ত আনন্দ প্ৰদান কৰা । নৱপ্ৰজন্মৰ কেইগৰাকীমান শিল্পীয়ে এনে বিহু সুৰীয়া গীত গাই অতিশয় জনপ্ৰিয়তা অৰ্জন কৰিছে,সহস্ৰজনৰ হৃদয় জয় কৰিবলৈ সক্ষম হৈছে । লগে লগে কিন্তু অসমীয়া সংগীতৰ ঐতিহ্যবাহী পৰম্পৰাগত বিহুগীত, বনগীত, আধুনিকগীত আদি ৰ প্ৰভাৱ কিছু পৰিমানে হ'লেও স্তিমিত হৈ পৰা পৰিলক্ষিত নোহোৱাকৈ থকা নাই । দুই এজন শিল্পীয়ে অভিযোগ কৰিছে যে নতুন বিহুসুৰীয়া গীতৰ সৃষ্টিয়ে মাথোন কেইজনমান গায়ককহে চহকী কৰিছে । এনে দুই চাৰিজন শিল্পীয়ে কৈছে যে বিহুগীতৰ এই পৰীক্ষা নিৰ্ভুল নহয় । এই ত্ৰুটি তেওঁলোকৰ ইচ্ছাকৃত । কাৰণ ইয়াত ব্যবসায়িক দিশটো নিহিতহৈ আছে । সাধাৰণতে লোকগীতত ৰচকৰ নাম নাথাকে । কোনোবা অজ্ঞাত শিল্পীয়ে এই গীতবোৰ ৰচনা কৰে আৰু যুগ যুগ ধৰি মুখবাগৰা পৰম্পৰাৰে এই গীতবোৰ সমাজত চলি থাকে । বৰ্ত্তমান বিহুগীত বুলি চপাই দিয়া এই গীতবোৰত প্ৰায়ে গীতিকাৰ সুৰকাৰৰ নাম জুৰি দিয়া থাকে । সুৰৰ ক্ষেত্ৰতো বিহুগীতৰ এক সুকীয়া বৈশিষ্ট্য আছে। শাস্ত্ৰীয় সংগীতৰ বিচাৰত বিহুগীতত ধনি ৰাগৰ প্ৰধান্য দেখা যায় । মঙ্গোলীয় সুৰে গৰকা অসমীয়া লোকগীতৰ সুৰত সা, গা, (কোমল ) মা, পা, নি (কোমল )- এই স্বৰ কেইটা নিহিত হৈ থাকে । কোমল ধা আৰু কোমল নি-ৰ প্ৰয়োগে অসমীয়া লোকগীতক মাধুৰ্য্যমণ্ডিত কৰিছে । বিহু গীতৰ সুৰ সাধাৰণতে মধ্য সপ্তক আৰু সপ্তকৰ মাজত বিচৰণ কৰে; কিন্তু এই নতুন বিহুগীতবোৰত পৰম্পৰাগত বিহুগীতৰ বৈশিষ্ট্য অটুত থকা দেখা নাযায় । এই শ্ৰেণীৰ বিহুগীতবোৰ পৰম্পৰাগত বিহুগীতৰ সুৰৰ পৰা বহু পৃথক । বিহুগীতত প্ৰয়োগ হোৱা বাদ্যযন্ত্ৰকে প্ৰয়োগ কৰি সুৰৰ ক্ষেত্ৰত অবাধ স্বাধীনতা লোৱা দেখা যায় এই শ্ৰেণীৰ বিহুগীতবোৰত । অকল অসমীয়া গীতৰে নহয়, হিন্দীগীতৰ সুৰৰ আধাৰতো বিহুগীত সুৰাৰোপিত কৰা হৈছে । ব'হাগৰ লগে লগে বিহুগীতৰ মাদকতা বাঢ়ে । কিন্তু নতুন বিহুগীতবোৰে যেন অসমলৈ আবতৰীয়া বিহুৰ আগমন ঘটায় । পৰিৱৰ্তন এক স্বাভাৱিক প্ৰক্ৰিয়া । বিহুগীতো ইয়াৰ বাহিৰত নাথাকে । ভাৰতীয় শাস্ত্ৰীয় সংগীততো হৰিহৰণ শোভা মুদগল আদি শিল্পীয়ে পাশ্চাত্য সংগীতৰ মিশ্ৰণ ঘটাই শ্ৰোতাক আপ্লুত কৰিছে। পঞ্জাবৰ ভাংৰা নৃত্য-গীতে একে কাৰণতে সংগীত জগতত খলকনি তুলিছে । নেপালী লোকসংগীতকো নতুনকৈ সজাই পৰাই শ্ৰোতাক আমোদ দিবলৈ সেই সকল শিল্পী সমৰ্থ হৈছে । এনে গীত মাতৰ কেছেট, চিডি ৰাজহুৱাকৈ দাহ কৰাৰ কথা ক'তো শুনিবলৈ পোৱা নাযায়; যিটো হৈছে অসমত। একে কথা গণ শিল্পী খগেন মহন্ত বা মহানন্দ মজিন্দাৰ বৰুৱা আদিৰ ক্ষেত্ৰত চিন্তা কৰিব পাৰিনে ? নতুন বিহুগীত বা বিহু সুৰীয়া গীতৰ কেছেট চি ডিৰ বহুল প্ৰচলনে বহুতৰে জীৱনলৈ সংস্থাপনৰ আৰু প্ৰতিষ্ঠাৰ সুযোগ আনি দিছে । তথাপি বিহুগীতৰ এই পৰিৱৰ্তনত কিছু সংযম, কিছু নীতি-নিয়মৰ নিশ্চয় প্ৰয়োজন আছে । এটা জাতিৰ সাংস্কৃতিক পৰিচয় লুকাই থাকে সেই জাতিৰ লোক সাহিত্য আৰু লোক সংগীতত । পৰম্পৰাগত লোকগীত বা বিহুগীতেহে আমাৰ সংস্কৃতি কিমান চহকী তাৰ পৰিচয় দাঙি ধৰে । লোক গীতৰ সুৰ,তাল, ছন্দ লোক সমাজৰ শোণিত ধাৰাত আজন্ম প্ৰৱাহমান হৈ থাকে। সেয়ে বিহুগীতকলৈ বিভিন্ন পৰীক্ষা-নিৰীক্ষা চলিলেও পৰম্পৰাগত বিহুগীতে যে অসমীয়া সমাজক সদায়ে আলোড়িত কৰি থাকিব তাত সন্দেহ নাই। কোনো সাময়িক পৰিৱৰ্তনে বিহুগীতৰ সৌন্দৰ্য ম্লান কৰিব নোৱাৰে । ☐☐☐